




গুৱাহাটী আৰু নগাঁৱৰপৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰবাহ

শুকুৰবাৰ ● ১৬ মে', ২০২৫/১ জেঠ ১৯৪৩ শক ● দাম ২.০০ টকা ● চতুৰ্দশ বছৰ
● সংখ্যা - ৪ ● Vol - 14, Issue - 4




'অপাৰেশ্যন সিন্দুৰ'ত ভাৰতীয় সেনাই প্ৰদৰ্শন কৰা অপাৰ পৰাক্ৰম আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নিৰ্ণায়ক নেতৃত্বক ধন্যবাদ জনোৱাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নাগৰিক সমাজৰ সৈতে এক 'ত্ৰিৰংগ যাত্ৰা'ত অংশগ্ৰহণ কৰে। গুৱাহাটী মহানগৰীৰ মালিগাঁৱৰ অটল উদ্যানৰ পৰা জালুকবাৰীৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰৱেশদ্বাৰৰ সমীপলৈকে এই ত্ৰিৰংগ যাত্ৰা অনুষ্ঠিত হৈছিল।

## থলুৱা লোকক উদ্যোগ স্থাপনৰ বাবে আগবাঢ়ি আহিবলৈ মুখ্যমন্ত্ৰীৰ আহ্বান

### গুৱাহাটী বিমান বন্দৰ পথত 'গুৱাহাটী মেৰিয়ট ৰিজৰ্ট এণ্ড স্পা' আৰু 'ফেয়াৰফিল্ড বাই মেৰিয়ট গুৱাহাটী'ৰ ভূমিপূজন কৰিলে মুখ্যমন্ত্ৰীয়ে





**দিছপুৰ ঃ** এডভাণ্টেজ আছাম-২.০ত হোৱা বুজাবুজি চুক্তি অনুসৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জোনালী কনষ্ট্ৰাকচন প্ৰাইভেট লিমিটেডৰ উদ্যোগত গুৱাহাটী বিমান বন্দৰ পথত ৫০০ কোটি টকা ব্যয় সাপেক্ষে একেটা চৌহদতে নিৰ্মাণ হ'বলগীয়া দুখন হোটেল ক্ৰমে 'গুৱাহাটী মেৰিয়ট ৰিজৰ্ট এণ্ড স্পা' আৰু 'ফেয়াৰফিল্ড বাই মেৰিয়ট গুৱাহাটী'ৰ ভূমিপূজন অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এনেধৰণৰ বিশ্বমানৰ আন্তঃগাঁথনি নিৰ্মাণ অসমৰ হোটেল, আতিথ্য আৰু পৰ্যটন খণ্ডৰ বিকাশৰ দিশত অতিশয় গুৰুত্বপূৰ্ণ পদক্ষেপ। এই পৰিকাঠামো উন্নয়নে অসমৰ আৰ্থ-সামাজিক বিকাশ আৰু সামগ্ৰিক উন্নয়নত সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এই প্ৰকল্পৰ সৈতে জড়িত ১০ পৃষ্ঠাত

## কামৰ ক্ষেত্ৰত কোনোধৰণৰ গাফিলতি সহ্য কৰা নহ'ব ঃ মন্ত্ৰী হাজৰিকা

### বান প্ৰতিৰোধ ব্যৱস্থাৰ পৰ্যালোচনা জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাৰ



**গুৱাহাটী ঃ** আগন্তুক বাৰিষা কালৰ প্ৰতি লক্ষ্য ৰাখি জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই অভিযন্তা, জলসম্পদ বিভাগৰ বিষয়া, ঠিকাদাৰৰ সৈতে বশিষ্ঠস্থিত অসম জল ভৱনত এক পৰ্যালোচনা বৈঠকত অসমৰ বান আৰু নদীৰ খহনীয়া ব্যৱস্থাপনা সংস্থা (FREMAA)ৰ জৰিয়তে ৰূপায়িত বান আৰু গৰাখহনীয়া নিয়ন্ত্ৰণ ব্যৱস্থাৰ অগ্ৰগতিৰ মূল্যায়ন কৰে। বৈঠকৰ সময়ত মন্ত্ৰীগৰাকীয়ে বান প্ৰতিৰোধৰ সামগ্ৰী যেনে জিঅ' বেগ, পাৰ্কুপাইন আৰু অন্যান্য প্ৰয়োজনীয় সামগ্ৰীৰ উপলব্ধতা আৰু স্থানৰ পৰ্যালোচনা কৰে। তেওঁ বিষয়াসকলক পৰ্যাপ্ত পৰিমাণে সামগ্ৰী মজুত ৰখাটো নিশ্চিত কৰি চিনাক্ত কৰা সকলো দুৰ্বল আৰু বিপদজনক অঞ্চলত সময়মতে সামগ্ৰী যোগান ধৰিবলৈ নিৰ্দেশ দিয়ে। মন্ত্ৰী হাজৰিকাই জৰীপৰ জৰিয়তে চিনাক্ত কৰা ২১৬ টা দুৰ্বল স্থানত অতিশীঘ্ৰে প্ৰতিৰোধী ব্যৱস্থা গ্ৰহণৰ বাবে নিৰ্দেশ প্ৰদান কৰে। তেওঁ বিভাগৰ সকলো বিষয়া আৰু ঠিকাদাৰক কামৰ গতি ত্বৰান্বিত কৰাৰ লগতে নিৰ্ধাৰিত ১০ পৃষ্ঠাত

## পঞ্চায়ত নিৰ্বাচনৰ ফলাফলক লৈ মুখ্যমন্ত্ৰী

### সংখ্যালঘু ভোটাৰেও শাসকীয় মিত্ৰজোঁটক দিছে ব্যাপক সমৰ্থন

গুৱাহাটী ঃ এইবাৰৰ পঞ্চায়ত নিৰ্বাচনৰ ফলাফলক অভূতপূৰ্ব আখ্যা দিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। পঞ্চায়ত নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পিছত বশিষ্ঠস্থিত ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত এখন সংবাদমেলত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে বিজেপি মিত্ৰজোঁটে এইবাৰ ভবাতকৈও অধিক সাফল্য অৰ্জন কৰিছে। হিন্দু বসতিপ্ৰধান অঞ্চলৰ সমান্তৰালকৈ সংখ্যালঘু বসতিপ্ৰধান অঞ্চলটো শাসকীয় দলটোৱে ব্যাপক সমৰ্থন লাভ কৰা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় - জিলা পৰিষদৰ মুঠ আসন হ'ল ৩৯৭ খন। ইয়াৰে ৩০০ খনতে বিজেপি মিত্ৰজোঁটে বিজয় সাব্যস্ত কৰিছে। ২৭২ খনত বিজেপি আৰু ২৮ খন মিত্ৰজোঁট অগপই শেষ হাঁহি মাৰিছে। শতাংশ হিচাপত বিজেপি মিত্ৰজোঁটে ৬.২৭ শতাংশ আসনত জয়লাভ কৰিছে। আঞ্চলিক পঞ্চায়তৰ ক্ষেত্ৰতো বিজেপি মিত্ৰজোঁটে লাভ কৰিছে ১,৪৩৬ খন আসন। ইয়াৰে বিজেপিয়ে ১,২৬৫ আৰু অগপই ১৭১ খন আসন পাইছে। ইয়াৰ বিপৰীতে জিলা পৰিষদত কংগ্ৰেছে লাভ কৰা আসনৰ সংখ্যা হ'ল ৭২ খন। শতাংশ হিচাপত এয়া হ'ল ১৮ শতাংশ। আঞ্চলিক পঞ্চায়তত কংগ্ৰেছে ২১ শতাংশ আসন লাভ কৰিছে। বিজেপি মিত্ৰজোঁটে আঞ্চলিক পঞ্চায়তত ৬৬ শতাংশ আসন লাভ কৰিছে। যোৱাবাৰ পঞ্চায়ত নিৰ্বাচনত বিজেপি মিত্ৰজোঁটে ৫৫ শতাংশ আসন লাভ কৰিছিল আৰু কংগ্ৰেছে পাইছিল ৩৫ শতাংশ আসন। কিন্তু এইবাৰ আমাৰ আসনৰ সংখ্যা অভাৱনীয়ভাৱে বৃদ্ধি হোৱাৰ বিপৰীতে কংগ্ৰেছৰ আসনৰ সংখ্যা যোৱাবাৰৰ তুলনাত আধা কমিছে।

## দৰং জিলাত ব্ৰহ্মপুত্ৰ আৰু ডিমিলা নৈৰ পাৰত নিৰ্মীয়মান নতুন মথাউৰি পৰিদৰ্শন জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাৰ



**দিশপুৰ ঃ** দৰং জিলাৰ কেইবাটাও স্থানত অসম চৰকাৰৰ জলসম্পদ মন্ত্ৰী পীযুষ হাজৰীকাই বিভাগৰ অধীনত নতুনকৈ নিৰ্মীয়মান ব্ৰহ্মপুত্ৰ আৰু ডিমিলা নৈৰ মথাউৰি পৰিদৰ্শন কৰে। বৰ্ষণমুখৰ দিনটোত জলসম্পদ মন্ত্ৰীগৰাকীয়ে প্ৰথমতে মঙলদৈৰ চেৰেংঘাট গড়কাপ্তানী পথৰ পৰা নিজ ৰঙামাটিলৈকে নতুনকৈ নিৰ্মীয়মান ৫ কিল'মিটাৰ দৈৰ্ঘ্যৰ ব্ৰহ্মপুত্ৰ নদীৰ মথাউৰি পৰিদৰ্শন কৰে। অঞ্চলটোত বানৰ প্ৰকোপ হ্ৰাস কৰাৰ উদ্দেশ্যৰে জলসম্পদ বিভাগৰ অধীনত প্ৰায় ১২.৫০ কোটি টকাৰ পুঁজিৰে মথাউৰিটো নিৰ্মাণ কৰি থকা হৈছে। পৰিদৰ্শনকালত মন্ত্ৰী হাজৰিকাই কামৰ অগ্ৰগতিৰ বুজ লোৱাৰ লগতে বাকী থকা কামসমূহ যিমানদূৰ সম্ভৱ শীঘ্ৰে সম্পূৰ্ণ কৰিবলৈ বিভাগীয় অভিযন্তাক নিৰ্দেশ দিয়ে। আনহাতে অঞ্চলটোত পৰৱৰ্তী পৰ্যায়ত প্ৰয়োজনীয় শ্লুইছগেট নিৰ্মাণৰ ব্যৱস্থা হাতত লোৱা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য ১০ পৃষ্ঠাত

# মহাপুৰুষ মাধৱদেৱৰ স্মৃতিবিজড়িত ঢেকীয়াখোৱা বৰনামঘৰ

■ হিমাংশু ৰঞ্জন ভূঞা,
জামুগুৰিহাট

অসমৰ শংকৰী কলা-সংস্কৃতি তথা ধৰ্মীয় ক্ষেত্ৰখনত যোৰহাটৰ ঢেকীয়াখোৱা বৰনামঘৰে এক স্বকীয় গৰিমামণ্ডিত স্থান অধিকাৰ কৰি আছে। এই ঢেকীয়াখোৱা বৰনামঘৰ যোৰহাট নগৰৰ পৰা প্ৰায় ১২ কিলোমিটাৰ পূবত অৱস্থিত এই বৰনামঘৰটি জনশ্ৰুতি অনুসৰি ১৫২৮ চনত (১৪৫০ শক) মহাপুৰুষ মাধৱদেৱে এই নামঘৰ প্ৰতিষ্ঠা কৰিছিল। মহাপুৰুষ মাধৱদেৱে এই স্থানতে এগছি বন্তি জ্বলাইছিল, যিগছি বন্তি সুদীৰ্ঘ ৪৯৪ বছৰ ধৰ্মপ্ৰাণ ৰাইজে জ্বলাই ৰাখিছে। এই বন্তি গছি এছিয়া বুক অফ ৰেকৰ্ডছ আৰু ইণ্ডিয়া বুক অফ ৰেকৰ্ডছ-এ 'দীৰ্ঘতম সময়ৰ বাবে প্ৰজ্বলিত বন্তি' বুলি স্বীকৃতি প্ৰদান কৰিছে।

প্ৰতিবছৰে বিশেষকৈ, ভাদ মাহত ঢেকীয়াখোৱা বৰনামঘৰ মৰ্ত্যৰ বৈকুণ্ঠপুৰীলৈ পৰিণত হয় বুলি লোকবিশ্বাস আছে। ভক্তসকলে নিজৰ মতে নামঘৰলৈ দান বৰঙণি আগবঢ়ায় আৰু পৰিচালনা সমিতিয়ে ইয়াক সামাজিক আৰু সাংস্কৃতিক উন্নতিৰ বাবে ব্যৱহাৰ কৰে। ই বৈষ্ণৱ ধৰ্ম আৰু অসমৰ মানুহৰ মাজত একতা বজাই ৰখাত সহায় কৰি আহিছে। অসমৰ প্ৰায় সকলো ঠাইৰ লগতে যোৰহাট জিলালৈ অহা-যোৱা কৰাৰ সু-ব্যৱস্থা আছে। ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথেদি যোৰহাট নগৰৰ পৰা শিৱসাগৰলৈ যোৱাৰ পথত লাহদৈগড় আৰক্ষী চকী পাৰ হৈ ঢেকীয়াখোৱা বৰনামঘৰলৈ যোৱাৰ প্ৰৱেশদ্বাৰ পোৱা যায়। তাৰ পৰা প্ৰায় ৩.৫ কিঃমিঃ দূৰত ঢেকীয়াখোৱা গাঁৱত নামঘৰটো অৱস্থিত। ঢেকীয়াখোৱা বৰনামঘৰৰে জড়িত প্ৰবাদ অনুসৰি, শ্ৰীশ্ৰী শংকৰদেৱ আৰু মাধৱদেৱৰ মিলনৰ পাছতে শংকৰদেৱ তেওঁৰ প্ৰিয় শিষ্য মহাপুৰুষ মাধদেৱ আৰু জোঁৱায়েক হৰিজোঁৱাইকে আদি কৰি ভক্তসকলৰ সৈতে ধৰ্ম প্ৰচাৰ কৰি থাকোতে তেখেতসকলৰ বিৰোধী লোকসকলে সেই সময়ৰ অসমৰ ৰজাক নানা লগনীয়া কথা লগাবলৈ ধৰিলে। অবৈষ্ণৱ সকলৰ প্ৰৰোচনাত পৰি ৰজাই শংকৰদেৱ আৰু মাধৱদেৱক বন্দী কৰিব খোজাত শংকৰ গুৰুক শিষ্যসকলে আত্মগোপন কৰোৱায়। ৰজাই মাধৱদেৱক জোঁৱাইকৰ সৈতে বন্দী কৰে। পাছত বিচাৰত, জোঁৱায়েকক মৃত্যুদণ্ড দিয়ে আৰু মাধৱদেৱক মুক্তি দিয়ে। বন্দীশালৰ পৰা তেওঁ লঘোনে ভোকে হাবি জংঘল অতিক্ৰম কৰি গধূলি পৰত এই ঠাইত (বৰ্তমান যি ঠাইত বৰনামঘৰ আছে) উপস্থিত হ'লহি।

এই ঠাইত দুজনা বুঢ়া-বুঢ়ী আছিল। তেখেসকলে ভিক্ষা কৰি জীৱিকা নিৰ্বাহ কৰিছিল। সেইদিনা তেওঁলোকৰ গৃহত মাত্ৰ একঠা চাউলহে আছিল। গধূলি পৰত এজন সুন্দৰ শ্ৰীমন্তপুৰুষক অতিথিস্বৰূপে পাই আনন্দত সীমা নোহোৱা হ'ল। ইফালে খাবলৈও দুজনৰ জোখাৰেহে আছে। তথাপিও দুয়োজনে লঘোনে ভোকে থাকি অতিথি সেৱা কৰাৰ কথা চিন্তা কৰি মহাপুৰুষক গা তিয়াবৰ কাৰণে অনুৰোধ কৰিলে। মহাপুৰুষে গা তিয়াবৰ কাৰণে ওচৰতে থকা 'হোলোঙা' নামৰ জানটোলৈ গ'ল। আৰু এই জানৰ পানীৰ দাঁতিলৈ এটা ডাঙৰ গছৰ মুড়া আছিল। তাতে বহি হাত ভৰি ভালকৈ ধুই পখালি তেওঁ গা তিয়ালে। গুৰুজনাই গা তিয়াই আহি নোপোৱাৰ আগতে বুঢ়ীয়ে ক'লে 'চাউল কঠা আছে পাচলি নাই, এতিয়া পাচলিৰ বাবে কিবা কৰা যায় ?' বুঢ়াই ক'লে আমি লঘোনেই থাকি তেওঁক ঢেঁকীয়া পাচলি অলপকে আনি যোগাৰ কৰি দিয়া, যিহেতু তেওঁ লঘোনে ভোকে আহিছে যেনেতেনে আহাৰ কৰক। বুঢ়াৰ কথামতে বুঢ়ীয়ে চাউল শাক-পাচলি কৰি দিলে আৰু গুৰুজনাই গা তিয়াই আহি গুৰুসেৱা কৰি নিজেই চাউল সিজালে। কিন্তু তেওঁলোকৰ ঘৰত চাউল নাই এই কথা গম পাই গুৰুজনাই আত্ম পৰিচয় হও তিনিওয়ে বুলি কৈ বুঢ়া-বুঢ়ী দুয়োক গা তিয়াই আহিবলৈ ক'লে। গা তিয়াই গুৰুসেৱা কৰি গুৰুজনাৰ লগত আত্মপৰিচয় হৈ সাক্ষাৎ ঈশ্বৰ বুলি বিশ্বাস কৰিলে। তেতিয়া মহাপুৰুষে তেওঁলোক দুজনক সুধিলে যে 'আপোনালোকে আমাৰ লগত চাউল ল'লে বেয়া হ'বনে?' তাৰপাছত তেওঁলোক দুজনে ক'লে 'বেয়া নহয় কিন্তু চাউল আপোনাৰ বাবেহে দিয়া হৈছে। আপোনাৰ আধাপেটী হ'লে আমি একেবাৰে তল যাম, আপুনি লঘোনীয়া মানুহ, আপুনিয়েই গ্ৰহণ কৰক।' গুৰুজনে মিচিকিয়া হাঁহি মাৰি যায় ঢাকনি গুচাই দিয়াত যথেষ্ট ভাত দেখি বুঢ়া-বুঢ়ী দুয়ো অবাক হ'ল। তেখেতসকলে ভাবিলে তেতিয়া এওঁ মানুহ নহয় স্বয়ং ঈশ্বৰহে। এইভাৱে তেওঁক চাউল বাঢ়িবলৈ ক'লে আৰু তিনিও পৰম আনন্দৰে ভোজন কৰিলে। এইদৰে তেওঁ মুখশুদ্ধি কৰি কথাবাৰ্তা পাতি ৰাতিটো তাতে শয়ন কৰিলে।

তাৰপিছত পোৱাৰ চাউল কথা গুৰুজনাক কেনেকৈ সোধোৱা হ'ব তাৰে উপায় চিন্তি বুঢ়ীয়ে তেওঁৰ চুলি কাটি দুই চেং কৰি তেওঁলোকৰ পৰা ডেৰমাইল আঁতৰত থকা পুখুৰী এটাৰ পাৰত বহা হাটত বিক্ৰী কৰিবলৈ পঠালে। যিটো পুখুৰী নাম আজিও হাট-জানৰ পুখুৰী পাৰ নামেৰে জনাজাত হৈ আছে। আৰু এই হাটতে চেঙ কেইটা বিক্ৰী হোৱাত বুঢ়ীয়ে চাউল, শাক-পাচলি আদি খোৱা বস্তু কিনিলে। তাৰপিছত সকলো বস্তু লৈ ঘৰ পোৱাৰহি পাছত গুৰুজনক চাউ সিজাবলৈ দিহা কৰি দিলে আৰু সিজালে। এনেতে গুৰুজনে বুঢ়াক ক'লে 'আমি এই ঠাইত এগছি বন্তি ৰাখিবৰ মন কৰিছিলো। আপুনি সন্মত হ'লেই হ'ব।' তাৰপিছত তেওঁলোকে সন্মতি দিয়াত গুৰুজনাই কেইজনমান লোকক মাতি অনিলেগৈ। আৰু সেই সময়তে চাউল সিজাই হোৱাত তিনিওৰে আনন্দমনেৰে ভোজন কৰিলে। গুৰুজনাই গঞা ৰাইজৰ লগত পৰিচয় হৈ এই ঠাইত এগছি বন্তি ৰাখিব খোজা কথাটোৰ বাবে ৰাইজৰো সন্মতি বিচাৰিলে। আৰু তেওঁলোকে কথাটো শুনি আনন্দমনেৰে সন্মতি দিলে। গুৰুজনে ৰাইজৰ সন্মতি পোৱাৰ পিছত তেওঁলোকক কেইটামান বৰ গছৰ ডাল আনিব দিব ক'লে। তেওঁলোকে আনি দিয়াৰ পিছত তেওঁ আঁঠোটা খুটি কৰালে। উত্তৰ, দক্ষিণ আৰু পশ্চিমে তিনিওডাল খুঁটি মাৰিলে আৰু তেওঁ যি ঠাইত চাউল সিজাই ভোজন কৰিছিল সেই ঠাইতে এগছি বন্তি জ্বলাই সেৱা কৰিলে। গুৰুজনাই ৰাইজক ক'লে যে 'আমি এই ঠাইতে সেৱা কৰি বুঢ়া-বুঢ়ী আৰু আমি তিনিও চাউল কঠা গুৰুক অৰ্পণ কৰা হ'ল। সেইকাৰণে এই ঠাইত এগছি বন্তি ৰখা হ'ল। আপোনালোকে এই বন্তি গছি তেল-শলাকানি দি প্ৰতিপালন কৰি থাকিলে অনন্ত কাললৈ জ্বলি থাকিব। এই জানটিত যিডাল নাহৰ কাঠেৰে মানুহ পাৰ হ'বৰ বাবে সাঁকো দিয়া আছে, সেই সাঁকোৰ নামেৰেই এই থানৰ নাম নাহৰ সাঁকো থান ৰাখিলো। কাৰণ এই থানত যাৰ ভক্তি হ'ব, সকলো বিপদ পাৰ হ'ব পাৰিব। বুঢ়ীয়ে মূৰৰ চুলি বেচি চাউল কঠা খুউৱাৰ দিহা কৰিলে, সেইবাবে এই জানটিৰ নাম বুঢ়ীদিহা থ'লো। এই ঠাইৰ ঢেঁকীয়া পাচলিৰ আঞ্জা খাই বৰ তৃপ্তি পালো। সেই কাৰণে এই গাওঁখনৰ নাম ঢেঁকীয়াখোৱা নামেৰে প্ৰখ্যাত হ'ব।'

তেতিয়াৰ পৰাই এই নামঘৰটোৰ লগতে অঞ্চলটোৰ নাম ঢেকীয়াখোৱা হয়। মহাপুৰুষ মাধৱদেৱে সেই ঠাই ত্যাগ কৰাৰ পাছত বুঢ়া-বুঢ়ীহালৰ মৃত্যু হয় আৰু ৰাইজে সেই ঠাইতে খেৰ-বাঁহৰ নামঘৰ সাজি বুঢ়া নামঘৰ নাম দিলে আৰু প্ৰত্যেক বছৰৰ ভাদ মাহত গুৰুজনাৰ আৰ্হিৰে পালনাম গাবলৈ ধৰিলে। এসময়ত কাঠ-বাঁহেৰে নিৰ্মিত এই নামঘৰেই আটকধুনীয়া ঢেকীয়াখোৱা নামঘৰ হিচাপে প্ৰখ্যাত হয়। ঢেকীয়াখোৱা বৰনামঘৰৰ লগত কেইবাটাও কাহিনী জড়িত আছে। কোৱা হয় যে, নামঘৰৰ মূল খুঁটাটো শাল গছৰে নিৰ্মিত। এদিন ৰাতি ইয়াৰ ভকত এজনে সপোনত দেখিলে যে, বৰনামঘৰৰ কাষেৰে বৈ যোৱা নেখন (ঢেকীয়াখোৱা জান নামেৰে জনা যায়) সুঁতিৰ বিপৰীতে বৈ গৈছে আৰু বৰনামঘৰ নিৰ্মাণ কৰিবৰ বাবে লগত এজোপা শাল গছ উটুৱাই লৈ আহিছে। পিছদিনাখন যেতিয়া লোকসকলে সপোনটো বাস্তৱিত হোৱা যেন দেখিলে, তেতিয়া তেওঁলোকে বৰনামঘৰৰ মূল খুঁটাকেইটা শাল গছেৰে নিৰ্মাণ কৰিলে। প্ৰতি বছৰে ভাদ মাহত ইয়াত চাৰি প্ৰসংগীয়া পালনাম অনুষ্ঠিত হয়। অগণন ভক্তৰ সমাৱেশ হয়। এই নামঘৰ পৰিচালনাৰ বাবে এখন পৰিচালনা সমিতি আছে। ১৯৫৯ চনত স্থাপিত সমিতিখনে নামঘৰটোৰ উন্নয়নৰ বাবে ভালেমান কাৰ্যসূচী গ্ৰহণ কৰিছে।

তথ্য সংগ্ৰহ ঃ অসমীয়া ৱিকিপিডিয়া, বিশ্ব ঐতিহ্য, শান্তনু কৌশিক বৰুৱা, অন্যান্য কেবাখনো গ্ৰন্থ তথা ইণ্টাৰনেটৰ বিভিন্ন লেখা।

*(লিখক শিক্ষাবিভাগৰ বিশ্বনাথ জিলাৰ নলবাৰী মণ্ডলৰ মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক)*




# নগাঁৱত 'বিশ্ব মাতৃ দিৱস' উদ্‌যাপন




**বিশেষ সংবাদদাতা, নগাঁও ঃ** সৈনিক পুত্ৰৰ মাতৃ হৈ গৌৰৱবোধ কৰা মাতৃৰ কণ্ঠত 'বিশ্ব মাতৃ দিৱস' উপলক্ষে নগাঁও জিলা সাহিত্য সভাৰ ভৱনত নিনাদিত হ'ল দেশপ্ৰেমৰ কবিতা। কোনোবা এগৰাকী কবিয়ে যদি যুদ্ধক্ষেত্ৰত থকা পুত্ৰৰ বাবে গৌৰৱ কৰি কবিতা পাঠ কৰিছে, আন এগৰাকীয়ে সৈনিকৰ ভগ্নী, পত্নীক অভিনন্দন জনাইছে। নগাঁও জিলা সাহিত্য সভাই 'বিশ্ব মাতৃ দিৱস' উপলক্ষে আয়োজন কৰা 'নাৰীৰ কণ্ঠত কবিতা' শীৰ্ষক অনুষ্ঠানটি এপ্ৰকাৰ ভাৰতীয় সেনাৰ বাবে গৌৰৱ, সাহসৰ প্ৰশংসাৰ অনুষ্ঠান হৈ পৰিল। নাৰী কণ্ঠৰ কবিতা অনুষ্ঠানটি বিশিষ্ট সাহিত্যিক সৌজনময়ী ভট্টাচাৰ্যৰ প্ৰতি শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰি মুকলি কৰে বিশিষ্ট নাট্যকাৰ গুণদা গোস্বামীয়ে। জিলা সাহিত্য সভাৰ সম্পাদক ৰাজীৱ কুমাৰ হাজৰিকাই আঁত ধৰা এই নাৰী কণ্ঠৰ কবিতা অনুষ্ঠানটিত জিলা সাহিত্য সভাৰ সভাপতি ড° শৰৎ বৰকটকীয়ে কয় যে ভাৰতৰ প্ৰতিজন নাগৰিক সৈনিকৰ মাতৃৰ গৌৰৱৰ অংশীদাৰ হৈছে। অসমৰ বিশিষ্ট কবি প্ৰেম নাৰায়ণ নাথে সঞ্চালনা কৰি কয় যে কবিতাই জাতিক জীয়াই থকাৰ প্ৰেৰণা দিয়ে। নিৰলা দেৱীয়ে পাঠ কৰা কবিতা সমূহৰ আলোচনা আগবঢ়ায়। জিলা সাহিত্য সভাৰ কবি উপ-সমিতিৰ কাৰ্যকৰী সভাপতি মনোজ কুমাৰ শৰ্মাই বিশ্ব মাতৃ দিৱসত পাঠ কৰা কবিতাসমূহৰ এক সংকলন প্ৰকাশ কৰাৰ কথা ঘোষণা কৰে। প্ৰায় পঞ্চাশ গৰাকীৰো অধিক নাৰীয়ে কবিতা পাঠ কৰি মাতৃ দিৱস সফল কৰি তোলে। কবি উপ-সমিতিৰ উপ-সভাপতি বিচিত্ৰ নাৰায়ণ বৰা, অসীম বৰা, সহযোগী আহ্বায়ক উৎপল বৰা, জিলা সাহিত্য সভাৰ সাংগঠনিক সম্পাদিকা দিপীকা নাথ, সহকাৰী সম্পাদক প্ৰিয়ঙ্কু শৰ্মা, কাৰ্যালয় সচিব অধৰ ঠাকুৰীয়া উপস্থিত থাকে। উপাসনা স্বৰ্ণ শাখাৰ সদস্যাসকলে 'চিৰ চেনেহী মোৰ ভাষা জননী' শীৰ্ষক গীত পৰিৱেশন কৰে আৰু জাতীয় সংগীতেৰে অনুষ্ঠানৰ সামৰণি পৰে।

# নগাঁও জিলাৰ চৰকাৰী কাম-কাজত অসমীয়া ভাষা ব্যৱহাৰৰ নিৰ্দেশ

**বিশেষ সংবাদদাতা, নগাঁও ঃ** অসম চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক পৰিক্ৰমা বিভাগে ১৪ এপ্ৰিলত জাৰি কৰা অধিসুচনাৰ জৰিয়তে অসম চৰকাৰী ভাষা আইন ১৯৬০ ৰ ধাৰা ৭ আৰু ৩ অনুসৰি বৰাক উপত্যকা, ষষ্ঠ অনুসূচীৰ অন্তৰ্গত পাৰ্বত্য এলেকা, বড়োলেণ্ড টেৰিটৰিয়েল অঞ্চলত স্থানীয় ভাষা ব্যৱহাৰৰ লগতে সমগ্ৰ ৰাজ্যত অসমীয়া ভাষা ব্যৱহাৰৰ প্ৰসঙ্গত প্ৰদান কৰে নিৰ্দেশনা মৰ্মে নগাঁও জিলাৰ সকলো চৰকাৰী কাম-কাজত অসমীয়া ভাষা প্ৰয়োগ কৰিবলৈ নগাঁও জিলা প্ৰশাসনে আদেশ জাৰি কৰিছে। সেই অনুসৰি জিলাখনৰ সকলো চৰকাৰী কামত অসমীয়া ভাষা ব্যৱহাৰ বাধ্যতামূলক হ'ব লাগিব। ৰাজ্য চৰকাৰৰ সকলো বিধেয়ক, আইন, বিধি, আদেশ, অধিসুচনা, প্ৰশাসনিক, কাৰ্যবাহী নিৰ্দেশনা, বদলি আৰু নিযুক্তিৰ আদেশ তথা চৰকাৰী ৰাজপত্ৰ ইংৰাজী সংস্কৰণৰ লগতে অসমীয়া ভাষাত জাৰি কৰিব লাগিব। কেন্দ্ৰীয় চৰকাৰে জাৰি কৰা সকলো অধিসুচনা, আইন, নিয়ম, নিৰ্দেশনা সংশ্লিষ্ট বিভাগে প্ৰাপ্তিৰ ৩০ দিনৰ ভিতৰত অসমীয়া ভাষালৈ অনুবাদ কৰি প্ৰকাশ কৰিব লাগিব। পুৰণি আইন, নথি-পত্ৰ, নীতি, অধিসুচনা আদিও পৰ্যায়ক্ৰমে দুবছৰৰ ভিতৰত অসমীয়া ভাষালৈ অনুবাদ কৰিব লাগিব। এই অনুবাদ প্ৰক্ৰিয়া বিশ্ববিদ্যালয় সমূহৰ ভাষা বিভাগৰ সহায়ত সম্পন্ন কৰা হ'ব। অৱশ্যে দুয়োটা সংস্কৰণৰ মাজত অস্পষ্টতা, অমিল পৰিলক্ষিত হ'লে বা আইনী ব্যাখ্যাৰ প্ৰয়োজন হ'লে ইংৰাজী ভাষাৰ শব্দায়নক প্ৰাধান্য দিয়া হ'ব।

# অপাৰেচন সিন্দূৰ




■ অনামিকা (সংগীতা) কলিতা
শুৱালকুছি

**ভা**ৰতবৰ্ষ ২০০ বছৰ ব্ৰিটিছ ৰাজতন্ত্ৰৰ অধীনত আছিল। ১৯৪৭ চনত এখন স্বাধীন ৰাষ্ট্ৰ হিচাপে স্বাধীনতা লাভ কৰে যদিও ভাৰতবৰ্ষ দ্বিখণ্ডিত হয় পাকিস্তান নামেৰে মুছলিম আন এখন দেশৰ জন্ম হয়। ব্ৰিটিছসকলে ভাৰতবৰ্ষ এৰিলে কিন্তু তেওঁলোকৰ অভিপ্ৰায় পূৰ্ণ হ'ল 'ডিভাইদ এণ্ড ৰুল পলিচি' সফল হয়। যাৰ ফলত ভাৰত আৰু পাকিস্তান দুয়োখন চুবুৰীয়া দেশ বন্ধুত্বৰ সলনি চিৰ বৈৰী হিচাপে ইতিহাসত নিজৰ নাম অংকিত কৰিলে বৰ্তমানেও একে অৱস্থাত আছে।

ভাৰতবৰ্ষ আৰু পাকিস্তানে স্বাধীনতা লাভ কৰাৰ পিছত ১৯৪৮ চনত দুয়োখন দেশৰ মাজত প্ৰথম যুদ্ধ হয়। পাকিস্তানৰ সৈনিক আৰু কাশ্মীৰৰ কিছু নাগৰিক পাকিস্তানৰ সমৰ্থকৰ সহায়ত কাশ্মীৰত প্ৰৱেশ কৰি অধিকাৰ সাব্যস্ত কৰিবলৈ চেষ্টা কৰে।

১৯৬৫ চনতো ভাৰত আৰু পাকিস্তানৰ মাজত দ্বিতীয়খন যুদ্ধ হৈছিল নাম অপাৰেচন জিব্ৰাল্টৰ। পাকিস্তানৰ একমাত্ৰ লক্ষ্য কাশ্মীৰ দখল কৰা। শেষত ১৯৬৬ চনত দুয়োখন দেশৰ মাজত বুজাবুজিৰ অন্ততঃ যুদ্ধ সমাপ্ত হয়। এই যুদ্ধ ১৭ দিন চলিছিল বহুতো লোকে প্ৰাণ হেৰুৱাইছিল।

১৯৭১ চনত ভাৰত আৰু পাকিস্তানৰ মাজত তৃতীয়খন যুদ্ধ আৰম্ভ হয়। সেই সময়ত ইন্দিৰা গান্ধী ভাৰতৰ প্ৰধান মন্ত্ৰী আছিল।

১৯৯৯ চনত ভাৰত আৰু পাকিস্তানৰ মাজত চতুৰ্থখন যুদ্ধ হয়। কাৰগিল যুদ্ধ নামেৰে পৰিচিত কাৰগিল নামৰ এখন ঠাইত হৈছিল। প্ৰতিবাৰতে পাকিস্তানৰ সৈনিক বা সন্ত্ৰাসবাদীয়ে আমাৰ ভাৰতত প্ৰৱেশ কৰি সেই অঞ্চল নিজৰ অধীনত আনিবলৈ চেষ্টা কৰে।

২০১৯ চনত পুলবামত পাকিস্তানৰ সন্ত্ৰাসবাদীয়ে বোমা বিস্ফোৰণ কৰে ভাৰতীয় সৈনিক প্ৰায় ৪০ জনৰ মৃত্যু হয়। ভাৰতীয় সেনাই ইয়াৰ প্ৰত্যুত্তৰ দিয়ে। ইয়াৰ পিছত কেতিয়াবা সৰু সুৰা ঘটনা হৈছে যদিও কোনো চিন্তাৰ বিষয় নাছিল। কাশ্মীৰত বিদেশৰ বা ভাৰতৰ বিভিন্ন ঠাইৰ পৰ্যটকসকলে একো বাধা নথকাকৈ পৰিভ্ৰমণ কৰি আহিছে। কিন্তু ২০২৫ চনৰ এপ্ৰিল মাহৰ ২২ তাৰিখে কশ্মীৰৰ পেহেলগামত পৰ্যটকসকলক সন্ত্ৰাসবাদীয়ে গুলীবৰ্ষণ কৰি ২৬ গৰাকীলোকক নিহত কৰে। লস্কৰ ই তৈৱাৰ নামৰ সংগঠনৰ সন্ত্ৰাসবাদীৰ এই আক্ৰমণৰ ফলত সাধাৰণ ভ্ৰমণ কৰিবলৈ অহা লোকসকলে প্ৰাণ হেৰুৱায়। তাত নৱদম্পতীৰ, সন্তান সহতে কেইবাটাও পৰিয়ালৰ লোক আছিল। মহিলা আৰু শিশু সন্তানসকলক এৰি দি পুৰুষসকলক লক্ষ্য কৰি এফালৰ পৰা গুলীয়াই হত্যা কৰিছিল। যাৰ ফলত ২৬ জন পুৰুষ নিহত হ'ল মহিলাসকলৰ অকালতে সেন্দূৰ মচা গ'ল। গোটেই ভাৰতবৰ্ষ এই নৰসংহাৰত জ্বলি উঠিছিল। নিৰীহ লোকক তেজেৰে এনেকৈ ফাঁকু খেলা সকলোৰে ইয়াৰ উচিত প্ৰত্যুত্তৰ বিচাৰি জনসাধাৰণ জাগ্ৰত হ'ল। ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই ৰাজনৈতিক দল, বিৰোধী দলপতি সকলোৰে লগত আলোচনাত মিলিত হ'ল। নৌ সেনা, স্থল সেনা, বায়ুসেনাৰ প্ৰধান বিষয়াসকলৰ লগত আলোচনাত বহিল। সেই মৰ্মে ২০২৫ চনৰ মে' মাহৰ ৬ তাৰিখ মঙ্গলবাৰে নিশা ১ বাজি ৫, মিনিটৰ পৰা ১ বাজি ৩০ মিনিটলৈ পাকিস্তান আৰু প্ৰাক অধিকৃত কাশ্মীৰৰ ভূমিত সন্ত্ৰাসবাদীৰ ঘাটিবোৰত দ্ৰোণৰ সহায়ত মিছাইলেৰে আক্ৰমণ কৰি বিধ্বস্ত কৰে। বহুত কেইজন সন্ত্ৰাসবাদী আহত আৰু নিহত হয়। সৈনিকসকলে ইয়াৰ নাম দিয়ে অপাৰেচন সিন্দূৰ এই অভিযান মাত্ৰ ২৫ মিনিট চলিছিল। ভাৰতীয় সৈনিকসকলে সফলতাৰে নিজৰ অভিযান সামৰিলে।

ভাৰতীয় সেনাৰ অফিচিয়েলৰ ফালৰ পৰা কোৱা হৈছে যে ভাৰতে মাত্ৰ পাকিস্তানৰ সন্ত্ৰাসবাদীৰ ৯টা ঘাটি আক্ৰমণৰ লক্ষ্য কৰি লৈছিল, ভাৰতীয় সেনাই কোনো পাকিস্তানী সামৰিক বাহিনীৰ ঘাটিত আক্ৰমণ কৰা নাছিল। তাৰ প্ৰত্যুত্তৰত পাকিস্তানী সেনা বাহিনীয়ে উত্তৰ আৰু পশ্চিম ভাৰতৰ আৱন্তিপুৰা, শ্ৰীনগৰ, জম্মু, পাঠানকোট, অমৃতসৰ, কাপুৰথালা, জলন্ধাৰ, লুধিয়ানা, আদমপুৰ, ভাটিন্দা, চণ্ডীগড়, নল, ফালোডী, উত্তৰলাই আৰু ভূজকে ধৰি কেইবাটাও ভাৰতীয় সামৰিক বাহিনীৰ ঘাটিত ড্ৰ'ন আৰু মিছাইলৰ সহায়ত আক্ৰমণ কৰিছে যিবোৰ ভাৰতীয় সেনাই UAS Grid আৰু Air Defence systemsৰ সহায়ত নিষ্ক্ৰিয় কৰি পাকিস্তানৰ আক্ৰমণক বিফল কৰিছে। পাকিস্তানে কৰা এই আক্ৰমণৰ বহুকেইটা সামগ্ৰী সেই স্থানৰ পৰা উদ্ধাৰ কৰা হৈছে যিয়ে পাকিস্তানীৰ সৈনিকে ভাৰতীয় সামৰিক ঘাটিত আক্ৰমণ কৰিছে তাৰ উপযুক্ত প্ৰমাণ পোৱা গৈছে। সেই প্ৰত্যুত্তৰত ৰাতিপুৱা ভাৰতীয় সেনাই পাকিস্তানৰ বিভিন্ন ঠাইত পাকিস্তানী সৈনিক Air Defence Radars and systems ক আক্ৰমণৰ টাৰ্গেট কৰে আৰু আক্ৰমণ কৰে। ইতিমধ্যে পাকিস্তানৰ লাহোৰত পাকিস্তানী সেনাৰ Air Defence Radars and systems ভাৰতীয় সৈনিকে ধ্বংস কৰা বুলি তথ্য পোৱা গৈছে।

ভাৰতীয় সেনায়ে এই কথা স্পষ্ট কৰিছে যে পাকিস্তানী সৈনিকে যদি এই দৰে আক্ৰমণ কৰি থাকে ভাৰতৰ সৈনিকসকল বহি নাথাকে ইয়াৰ সমানে উপযুক্ত প্ৰত্যুত্তৰ দি যাব। অপাৰেচন সিন্দূৰ ভাৰতীয় সেনাৰ উচিত প্ৰত্যুত্তৰ। ভাৰত মাতাৰ কাৰণে সেৱা আগবঢ়োৱা দিনেশ শৰ্মা, কমল কম্বোজ, অমিত চৌধুৰী, সূৰয যাদৱ আদি কৰি কেইবাগৰাকী বীৰ শ্বহীদ হৈছে। মহিলাসকলো পিছ পৰি থকা নাই কৰ্ণেল ছফিয়া কুৰেছী আৰু উইং কামাণ্ডাৰ ব্যোমিকা সিং এই দুয়ো গৰাকী মহিলাই অপাৰেচন সিন্দূৰ প্ৰতিটো তথ্য সকলো ভালতীয়ৰ আগত দাঙি ধৰিছে।

**ম'বাইল** ঃ ৭০০২৯-৪২৫৯১

# দৰমহাৰ প্ৰকৃত অংশীদাৰ

■ নাচিমা য়াচমিন
বিশ্বনাথ চাৰিআলি।

নিহাৰিকাৰ ঘৰত আজি উখল মাখল পৰিৱেশ।

পুৱাৰে পৰাই তাইৰ ঘৰত আত্মীয় স্বজনৰ লগতে ওচৰ চুবুৰীয়া কেইজন আহি ঘৰখনত এক আনন্দৰ জোৱাৰ তুলিছে।

সকলোৰে তাইক বৰ মৰম কৰে। নকৰিবই নো কিয়, তাই এই মৰমৰ যোগ্যতা নিজে অৰ্জন কৰিছে।

আজি তাইক এঘৰ মানুহে চাবলৈ আহিব।

তাইৰ বিয়াৰ উপযুক্ত বয়স হৈ গৈছে যিহেতু সামাজিক নিয়ম অনুসৰি বিবাহ কাৰ্য সম্পন্ন কৰিব বুলি তাইৰ দেউতাকে ঠিক কৰিলে। ভৰা মতেই কাম।

আগতীয়াকৈ নিৰ্ণয় কৰা দিনত নিহাৰিকাৰ পদূলিত বগা গাড়ী দুখন আহি ৰ'লেহি।

ল'ৰাৰ মা-দেউতা, ভন্টি দুজনী, আৰু বয়সস্থ মানুহ দুগৰাকী, ককা-আইতা হ'ব চাগে নামি আহে এখন গাড়ীৰ পৰা।

আনখন গাড়ীৰ পৰা কেইবাজন যুৱক নামি আহিছে। তাৰে ভিতৰত ফটোত দেখা যুৱকজনো আছে।

নিহাৰিকাই খিৰিকীৰে এবাৰ চাই পঠিয়ালে। তাইৰ মনটো ভয়ত কঁপি আছে। তাই সাজু হোৱাই নাছিল এনে এক পৰিস্থিতিৰ মুখা মুখি হ'বলৈ। কিন্তু উপায় নাই, তাইৰ দেউতাকে সিদ্ধান্ত লৈছে যিহেতু তাই মানি ল'লে।

বয়স বাঢ়িছে তেওঁৰ, বেছিকৈ টেনশ্যন দিব বিচৰা নাই তাই।

সেইভাবি তাই মান্তি হ'ল যদিওঁ ভয় এটাই তাইক আহি আৱৰি ৰাখিছে।

সকলো আলহীকে সন্মান সহকাৰে আদৰি নিয়া হ'ল। ওচৰৰ সম্পৰ্কীয় বৌ এজনীয়ে চাহৰ ট্ৰেৰ সৈতে তাইক ধুনীয়াকৈ সাঁজ এযোৰ পিন্ধাই লৈ আহিলে। কইনা চোৱা পৰ্ব সমাপ্ত হ'ল।

গুৰুজনে কৰা প্ৰতিটো প্ৰশ্নৰ উত্তৰ তাই নম্ৰতাৰে দি গ'ল। তাইৰ কথা, ব্যৱহাৰত সকলোৰে ৱাঃ ৱাহঃ দিলে।

হ'বলগীয়া দৰাজনেও তাইক চাই চকু আঁতৰাবই পৰা নাই। সঁচাকৈয়ে তাইক ধুনীয়া লাগিছে। লগৰবোৰে জোকাই থকা বাবে সি চকু আঁতৰাই আনিলে বাধ্যত পৰি। কিন্তু আঁৰ চকুৰে মাজে মাজে চাই থাকিল তাইৰ ফালে।

দৰাৰ মাকে এই কথা লক্ষ্য কৰিলে, দুজনে অলপ কথা পাতক বুলি কৈ উঠিল

ঃ তোমালোকৰ যদি অকলে কিবা কথা পাতিব আছে পাতিব পাৰা, নে কি কয়?

মাকৰ কথা শুনি সকলোৱে হয়ভৰ দিয়াত দুয়ো ওলাই আহিলে, মুকলিকৈ কথা পতাৰ উদেশ্যে।

ল'ৰাজনে যেন ইমান পৰে এই ক্ষণৰেই অপেক্ষাত আছিল। মাকে পুত্ৰৰ মনৰ কথা ঠিকেই বুজি পালে।

নিহাৰিকাই ল'ৰাজনক বহিব ক'লে

ঃ বহক।

ঃ thank you..

ঃ আপোনাৰ কিবা সুধিব আছে যদি সুধিব পাৰে।

ঃ তুমি মোৰ নাম জনানে?

মই আয়ুস্মান শইকীয়া। চবেই আয়ু বুলি মাতে। তুমিও মাতিব পাৰা। তোমাক ঘৰত কি বুলি মাতে?

ঃ ঠিক আছে।

মা-পাপাই পৰী বুলি মাতে।

ঃ হয়েই তুমি পৰীজনী। মইও মাতিম কিন্তু আজিৰে পৰা।

ঃ হুম।

ঃ মোক পছন্দ হৈছে নে তোমাৰ?

ঃ মা-পাপাৰ হৈছে যেতিয়া মোৰো হৈছে। শুনা, মা-দেউতা, ভন্টি দুজনী, ককা-আইতা মিলি আমি মুঠ ছয়জনীয়া পৰিয়াল আছিলো। এতিয়া সাতজনীয়া হ'বলৈ গৈ আছে। গোটেই পৰিয়ালটো সুখত ৰখাৰ দায়িত্ব কিন্তু তোমাৰ আৰু তোমাক সুখত ৰখাৰ দায়িত্ব মোৰ।

একে উশাহত আয়ুয়ে সকলো কথা কৈ গ'ল।

নিহাৰিকাৰ ভাল লাগিল তাৰ স্পষ্ট কথাৰ শৈলী।

তাইৰ মনত বাঁহ লোৱা ভয়বোৰ লাহে লাহে নোহোৱা হ'বলৈ ধৰিছে।

ঃ তোমাৰ কিবা ক'বলৈ থাকিলে বিনা সংকোচত কোৱা।

মই অলপো বেয়া নাপাওঁ।

ঃ শুনক আপুনি চাগে শুনিছেই মোৰ চাকৰিত যোগদান কৰা বেছিদিন হোৱা নাই। বিয়াৰ পাছতো মই চাকৰি কৰিব বিচাৰো। মোৰ সংসাৰৰ দায়িত্বৰ লগতে মোৰ পিতৃ-মাতৃৰ দায়িত্বও ল'ব বিচাৰো।

মোৰ উপাৰ্জিত দৰমহাৰ ৫০ শতাংশ মোৰ দেউতাক দিম, যিহেতু তেওঁ সৰুৰে পৰাই নিজৰ সাঁচতীয়া সকলো ধনৰ সহায়ত মোক পঢ়া-শুনাৰ সুযোগ কৰি দিছিল। তেওঁ নোহোৱাহেঁতেন মই আজি এগৰাকী শিক্ষয়িত্ৰী হিচাপে প্ৰতিষ্ঠিত নহ'লোহেঁতেন।

মোৰ আধা দৰমহাৰ ওপৰত তেওঁৰ অধিকাৰ আছে।

বাকী থাকিল ৫০ শতাংশ। তাৰে ভিতৰত ২৫ শতাংশৰে মই মোৰ নিজৰ হেঁপাহৰ সংসাৰত সহায় কৰিম।

আপুনি ক'ব পাৰে যে - মই আছোঁ নহয় সংসাৰ চলাবলৈ। কিন্তু আমি দুয়ো মিলি সংসাৰ চলালে কিছু অংশ ভৱিষ্যতলৈও সাঁচি ৰাখিব পাৰিম।

বাকী থাকিল ২৫ শতাংশ, সেইয়া মোৰ ব্যক্তিগত।

মোৰ প্ৰয়োজনীয় কামত এইয়া ব্যৱহাৰ কৰিব পাৰিম।

আপোনাৰ পৰা বিচাৰিও ল'ব পাৰিলোহেঁতেন। কিন্তু মই সৰুৰে পৰাই আত্ম- নিৰ্ভৰশীল হিচাপে জীৱন নিৰ্বাহ কৰিব বিচাৰো।

পিছে মৰমত সৰু সৰু উপহাৰবোৰ দিব পাৰিব। মই মানা নকৰিম। সৰু সৰু আৱেগত ভালপোৱাখিনি প্ৰকাশ পায়। কিন্তু উপহাৰৰ নামত অবাবত ধনৰ অপচয় কৰাটোহে মানি নলওঁ।

ইমানেই ক'ব আছিল মোৰ। আপোনাৰ মতামত কি জনাব।

নিহাৰিকাৰ কথাবোৰ আয়ুস্মানে কেৱল ৰ' লাগি শুনি গৈছে।

তাইৰ কথা শুনি সি কি উত্তৰ দিব ভাষা বিচাৰি পোৱা নাই।

ছোৱালীজনী বৰ বেছি practical তাতোকৈ বেছি ভাল মনৰ গৰাকী।

তাইৰ বাহিৰে অন্য কোনো ছোৱালীয়েই তাৰ যোগ্য হ'ব নোৱাৰে, এইয়া সত্য।

ঃ ৱাও, তোমাৰ সকলো কথাই যুক্তিপূৰ্ণ। মই সকলো মানিবলৈ সাজু।

দৰা সাঁজত, অগ্নি সাক্ষী কৰি একেবাৰে এই পৰীজনীক উৰুৱাইহে নিব আহিম আৰু।

আয়ুস্মানে কথাবোৰ মানি লোৱাৰ বাবে তাই এক শান্তিৰ হুমুনিয়া কাঢ়িলে। ওঁঠত এমুঠি হাঁহিয়ে খেলা কৰিলে। আনন্দৰ বৰষুণ এজাক বৈ আহিল।

**ম'বাইল** ঃ ৭০৯৯৩-৮৯৭৫৫



# বলিউডৰ বলিষ্ঠ অভিনেত্ৰী অৰুণা ইৰাণীৰ সৈতে এক অন্তৰংগ আলাপ



অৰুণা ইৰাণী বলিউডৰ এগৰাকী বলিষ্ঠ অভিনেত্ৰী। প্ৰায় ৫০০ খন হিন্দী ছবিত বলিষ্ঠ অভিনয় কৰা জনপ্ৰিয় অভিনেত্ৰী অৰুণা ইৰাণীৰ সৈতে ম'বাইল ফোন যোগে হোৱা এক অন্তৰংগ আলাপৰ সম্পাদিত ৰূপ পাঠকৰ বাবে আগবঢ়োৱা হ'ল ঃ

■ **হিন্দী ছবি জগতলৈ আপোনাৰ প্ৰৱেশ কেনেকৈ হৈছিল ?**

**অৰুণা ইৰানী ঃ** মাত্ৰ ৯ বছৰ বয়সতে বলিউডৰ জনপ্ৰিয় অভিনেতা দিলীপ কুমাৰে মোক 'গংগা যমুনা' ছবিৰ বাবে নিৰ্বাচন কৰিছিল। সেই ছবিখনত মই শিশু শিল্পী হিচাপে প্ৰথম অভিনয় কৰিছিলো। ড° নীতিন বুলি এজন বঙালী পৰিচালকে ছবিখন পৰিচালনা কৰিছিল।

■ **অভিনয় জগতলৈ আহোঁতে আপোনাৰ পিতৃ-মাতৃৰ অৰিহণা নিশ্চয় যথেষ্ট আছে। আপোনাৰ পিতৃ-মাতৃৰ বিষয়ে অলপ কওঁকচোন ?**

**অৰুণা ইৰানী ঃ** মোৰ দেউতাৰ নাম ফৰিদুন ইৰাণী আৰু মাৰ নাম সগুণা ইৰাণী। মোৰ মা-দেউতা যথেষ্ট ভাল আছিল। আমি অত্যন্ত দুখীয়া পৰিয়ালত ডাঙৰ দীঘল হৈছিলোঁ।

■ **সম্প্ৰতি নতুন প্ৰজন্মৰ কোনবোৰ কথাই আপোনাক চিন্তিত কৰে ?**

**অৰুণা ইৰানী ঃ** নতুন প্ৰজন্মৰ কোনো কথাই মোক চিন্তিত নকৰে।

■ **আপোনাৰ অসাধাৰণ অভিনয় প্ৰতিভাৰ বাদে সাহিত্য, সংগীত বা অন্য কোনো বিষয়ত আপোনাৰ ৰুচি আছে নেকি ?**

**অৰুণা ইৰানী ঃ** নাই। একেবাৰে নাই।

■ **অকল শিক্ষা আৰু সংস্কৃতিয়ে এটা জাতিৰ উত্তৰণৰ একমাত্ৰ পথ বুলি ভাবে নেকি ?**

**অৰুণা ইৰানী ঃ** মই এই দিশসমূহ নামানো।

■ **যদি আপুনি অভিনেত্ৰী নহ'লহেঁতেন তেতিয়াহ'লে কোনটো পেছা বৃত্তি হিচাপে ল'লেহেঁতেন ?**

**অৰুণা ইৰানী ঃ** মোৰ বেছি পঢ়া-শুনা নাছিল। গতিকে নাজানো মোক কোনোবাই কি কাম দিলেহেঁতেন চাগৈ ?

■ **আপোনাৰ প্ৰিয় খাদ্য ?**

**অৰুণা ইৰানী ঃ** I Love Non Veg. Non Veg খাদ্যৰ ভিতৰত মাছ খাই মই অত্যন্ত ভাল পাওঁ।

■ **আপোনাৰ প্ৰিয় ৰং ?**

**অৰুণা ইৰানী ঃ** বগা।

■ **আপোনাৰ হিন্দী ছবি জগতৰ প্ৰিয় অভিনেতা-অভিনেত্ৰী কোন ?**

**অৰুণা ইৰানী ঃ** প্ৰিয় অভিনেতা-অভিনেত্ৰী বুলি মোৰ নিৰ্দিষ্টকৈ কোনো নাই। সকলো অভিনেতা-অভিনেত্ৰীয়েই ভাল লাগে। হিন্দী ফিল্ম উদ্যোগত যিমান জনপ্ৰিয় অভিনেতা-অভিনেত্ৰী আছে সকলোৱেই মোৰ প্ৰিয়।

■ **আপোনাৰ স্বামী তথা পাৰিবাৰিক জীৱনৰ বিষয়ে অলপ কওঁকচোন ?**

**অৰুণা ইৰানী ঃ** মোৰ স্বামীৰ নাম কুককু কোহলী। আমাৰ পৰিয়ালত আমি আঠজন ভাই-ভনী। আমাৰ পৰিয়ালত পাঁচজন ল'ৰা আৰু আমি তিনিজনী ছোৱালী।

■ **যদি অসমীয়া ছবিত আপোনাক অভিনয় কৰিবলৈ সুযোগ দিয়া হয় আপুনি কৰিবনে ?**

**অৰুণা ইৰানী ঃ** আৰে কিয় নহয়, নিশ্চয় মই অসমীয়া ছবিত অভিনয় কৰিম।

■ **আপোনাৰ আদৰ্শ ব্যক্তি ?**

**অৰুণা ইৰানী ঃ** মোদীজী মোৰ আদৰ্শ ব্যক্তি।

■ **জীৱন সম্পৰ্কে আপোনাৰ অভিমত ?**

**অৰুণা ইৰানী ঃ** খুবেই ভাল। ঈশ্বৰে আমাক খুব ভাল জীৱন প্ৰদান কৰিছে। প্ৰথমতে মই ভাবিছিলো যে এগৰাকী নাৰীৰ জীৱন বৰ ভাল নহয়। এতিয়া ভাবো যে এগৰাকী নাৰীৰ জীৱনেই ভাল। কাৰণ এগৰাকী নাৰী সাধাৰণতে যথেষ্ট শক্তিশালী হয়।

*সাক্ষাৎকাৰ গ্ৰহণ কৰোঁতা*
**কুলদীপ শইকীয়া**
ৰত্নপুৰ, পলিৰোড
(কেন্দ্ৰীয় বিদ্যালয়ৰ সন্মুখত) নগাঁও
ম'বাইল ঃ ৮৪৭৪০-৯৩১৬৮

# ডিব্ৰুগড়ত চলচ্চিত্ৰ অভিনেত্ৰী মৃদুলা বৰুৱাক প্ৰদান

## জাতীয়-জনগোষ্ঠীয় ঐক্য মঞ্চৰ বসন্ত বঁটা-২০২৫, অসম বাৰ্তাৰ পৰা মানস ৰবীনক বিষ্ণু প্ৰসাদ ৰাভা বঁটা



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড় ঃ** ডিব্ৰুগড় চৌকিডিঙ্গী খেলপথাৰত দুদিনীয়াকৈ বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা কেন্দ্ৰীয় ব'হাগী বিদায় উৎসৱৰ লগত সংগতি ৰাখি চলচ্চিত্ৰ অভিনেত্ৰী মৃদুলা বৰুৱাক 'বসন্ত বঁটা ২০২৫ বঁটা' আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়। এই বঁটাত আছে স্মাৰক, সম্বৰ্ধনা পত্ৰ, গামোচা, চেলেং চাদৰ আৰু নগদ ধন। এই অনুষ্ঠানতে সাংবাদিক জ্যোতিষ কুমাৰ পাতিৰৰ সম্পাদনাত প্ৰকাশিত 'ঐক্য' শীৰ্ষক স্মৃতিগ্ৰন্থখন উন্মোচন কৰে ডিব্ৰুগড় সাহিত্য সভাৰ সভানেত্ৰী জ্যোতি বৰগোহাঁইয়ে। বিশিষ্ট সাহিত্যিক তথা ৰাষ্ট্ৰপতি পদক প্ৰাপ্ত গন্ধেশ্বৰ শইকীয়াই মুকলি সভা উদ্বোধন কৰা অনুষ্ঠানত সাহিত্যিক ডাঃ হৃদয়ানন্দ মহন্ত, জ্যেষ্ঠ সাংবাদিক বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সম্পাদক ৰাতুল বুঢ়াগোহাঁই, ডাঃ প্ৰেমানন্দ দাস, জাতীয়-জনগোষ্ঠীয় ঐক্য মঞ্চৰ ৰাজনৈতিক উপদেষ্টা চন্দন ফুকন, সভাপতি ৰানাৰঞ্জন গগৈ, সম্পাদক বিতুপন দুৱৰা, উদ্‌যাপন সমিতিৰ সভাপতি মনোজ কছাৰী, সম্পাদক মিন্তু দত্তকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানৰ দিনৰ ভাগত ঐক্য বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। বিশিষ্ট অভিনেতা অৰুণ হাজৰিকাই উদ্বোধন কৰা সাংস্কৃতিক শোভাযাত্ৰাত মোহময়ী অভিনেত্ৰী অমৃতা গগৈ, ধ্যানী মহনে অংশগ্ৰহণ কৰে। বিভিন্ন জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক দলসমূহৰ অংশগ্ৰহণেৰে চৌকিডিঙ্গী খেলপথাৰৰ পৰা থানা চাৰিআলি, ফুলবাগানলৈকে সমদল কৰে। সাংস্কৃতিক সন্ধিয়াৰ নিশা গীত পৰিৱেশন কৰে জনপ্ৰিয় কণ্ঠশিল্পী মানস ৰবীনে। দেশৰ সাম্প্ৰতি পৰিস্থিতিৰ বাবে নিশা ১০ বজাত অনুষ্ঠান সামৰা হয়। এই অনুষ্ঠানতে অসম বাৰ্তাৰ পঞ্চম বৰ্ষপূৰ্তি উপলক্ষে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা সাংস্কৃতিক বঁটা-২০২৫ জনপ্ৰিয় কণ্ঠশিল্পী, সংগীত পৰিচালক মানস ৰবীনক অনুষ্ঠানিকভাৱে প্ৰদান কৰে অসম বাৰ্তা কাকতৰ প্ৰকাশক সঞ্চালক তনয় বৰা, ষ্টাফ ৰিপ'ৰ্টাৰ এম হাছিম আলী, সহযোগী নবজিতা বৰা আৰু অন্যান্যসকলে।

গ্ৰন্থ আলোচনা


# ৰাষ্ট্ৰীয় ঐক্য সংহতি আৰু আজান পীৰ

■ **জ্যোৎস্না ৰাণী বেগম**
পাঞ্জাবাৰী গুৱাহাটী

**ক**টন বিশ্ববিদ্যালয়ৰ অৱসৰী সহযোগী অধ্যাপক পইনুৰুদ্দিন আহমেদ চাহাব কটন কলেজৰ ছাত্ৰ হৈ থাকোতেই কবি আৰু লেখক হিচাপে সুপ্ৰতিষ্ঠিত হৈছিল। ১৯৭২ চনতেই ছপা আলোচনী বিজুলীত প্ৰথম গল্প 'নিয়তিৰ পৰিহাস' প্ৰকাশ পাইছিল। ইতিমধ্যে তেখেতৰ মুঠ ২৫খন কিতাপ প্ৰকাশ পাইছে। শেহতীয়াকৈ প্ৰকাশিত 'ৰাষ্ট্ৰীয় ঐক্য সংহতি আৰু আজান পীৰ' নামৰ কিতাপখন পঢ়ি দুই লাইন লিখাৰ মোহ সামৰিব নোৱাৰিলোঁ। তেখেতে এই কিতাপখনৰ মাজেৰে আজান ফকীৰক সমন্বয়ৰ দূত হিচাবে অভিহিত কৰিছে। অসমীয়া ভক্তিমূলক গীত, জিকিৰ বুলি এটা খণ্ড সুন্দৰকৈ বৰ্ণনা কৰি লিখিছে। কিছুমান পণ্ডিতে জিকিৰক অকল ইছলামী ভক্তিগীত হিচাপে প্ৰতিষ্ঠা কৰিব বিচৰাৰ বিপৰীতে ড° মহেশ্বৰ নেওগদেৱে কৰা মন্তব্যত এনেদৰে কৈছে, বাৰকুৰি বৰগীত তেৰকুৰি ফকৰাৰ দৰে আঠকুৰি জিকিৰো অসমীয়াৰ সম্পদ। এই যুক্তিপূৰ্ণ মন্তব্যই সমন্বয় দৃঢ় কৰি বান্ধি ৰাখিছে। সেয়ে ধৰ্মৰ মহত্ব, জীৱনৰ অৰ্থৰ সন্ধানত জিকিৰ, বৰগীত, সত্ৰ আৰু মাজাৰ সমূহেই হ'ল সমন্বয় আৰু সংহতিৰ প্ৰতীক। লেখকে জিকিৰ সন্দৰ্ভত এনেদৰে লিখিছে যে, লেখকে জিকিৰবোৰ ভক্তিমূলক গীত হয় বুলি কৈছে। এই জিকিৰসমূহ ইছলামীয়া গীতৰ পৰিৱৰ্তে অসমীয়া ভক্তিমূলক গীত বুলি অভিহিত কৰিছে। বৰগীত সমূহ যেনেদৰে মুছলমান গায়কে পৰিৱেশন কৰি আহিছে ঠিক তেনেদৰে জিকিৰ ও হিন্দু ধৰ্মাৱলম্বী লোকেও গাইছে। বৰং এনে উদাৰ দৃষ্টিভংগীৰে অসমীয়া সমাজখনক গতিশীল, প্ৰাণময় কৰিহে তুলিছে। বাৰে ৰহণীয়া অসমীয়া সংস্কৃতিক সেই কাৰণে সংমিশ্ৰণৰ সংস্কৃতি বুলি কোৱা হয়। আৰু এনেদৰে জাতি ধৰ্ম নিৰ্বিশেষে সমন্বয় বান্ধ মজবুত হয়, সমাজখন সংস্কাৰী হয়। সংস্কাৰে সমন্বয়য় বাট মুকলি কৰে। অসমীয়া ভাষাক অতিত পৰম্পৰাৰ সীমা পাৰ কৰাই জনজীৱনক মুক্ত ভাৱে উলিয়ায় অনা জিকিৰ গীতসমূহৰ ৰচক হিচাপে কেইগৰাকীৰ ও নাম পোৱা যায়। ইয়াৰে ভিতৰত চাদ নুৰ খান ওৰফে সান্দচাই, মজনুদিল ফকীৰ, মুনিয়া দেৱান, গোলাম হুছেইন, বান্দৰ ফকীৰ, চৈয়দ মুৰতোজা, ছাহ মিলন ওৰফে আজান পীৰ, ছেখ ফৰিদ, বেথাই চাওৱাল, হৰিদাস কুমাৰ ইত্যাদিয়ে জিকিৰ ৰচনা কৰিছিল। আটাইবোৰ জিকিৰৰ ৰচকৰ নাম নথকা বাবে, কোনটো কোনে ৰচনা কৰিছিল সঠিকভাৱে ক'ব পৰা নাযায়। ইতিমধ্যে পণ্ডিতসকলে জিকিৰৰ সংখ্যা ১৬০ টা বুলি ঠাৱৰ কৰিছে। ইয়াৰ বেছিভাগ আজান ফকীৰৰ বুলি কোৱা হয়। কিন্তু এতিয়াও গোটেইখিনি জিকিৰ উদ্ধাৰ কৰিব পৰা নাই। অসমীয়া ফকৰা যোজনা, জঁটুৱা ঠাঁচ, পটন্তৰ আদিৰে ঘৰুৱা ভাষাত লেখা জিকিৰসমূহে অসমত এটা নতুন কাব্য পৰম্পৰাৰ সূচনা কৰে। সম্ভৱতঃ সেই সময়ত অসমত প্ৰচলিত বৈষ্ণৱ কাব্য ধাৰাৰ দ্বাৰা প্ৰভাবান্বিত হৈ আজান পীৰে প্ৰেম ৰস সলনি কৰি ভক্তি ৰসকে কবিতাৰ বিষয়বস্তু কৰি লয়। য'ত পাহৰি যাব পাৰি ধৰ্মীয় ভেদাভেদ, হিংসা, বিভাজনৰ কথা। এনেদৰে চিৰদিনলৈ ব্ৰতী থাকক অসমীয়াৰ মাজত হিন্দু-মুছলমানৰ মাজত সমন্বয়ৰ মিলাপ্ৰীতি।

**ম'বাইল ঃ** ৭০৮৬৪-৩৭৮৭৬

# শিৱসাগৰৰ দিচাংমুখত সাহসী নাৰী, অসম গৌৰৱ মিনাক্ষী দাসক সম্বৰ্ধনা



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰত উপস্থিত হয় অসম গৌৰৱ মিনাক্ষী দাস। উল্লেখযোগ্য যে, জিলাখনৰ যুৱ সমাজকৰ্মী, বিশিষ্ট ব্যৱসায়ী, দিচাংমুখৰ বিখ্যাত গুপ্তা হোটেলৰ পৰিচালন সঞ্চালক আটিশ কুমাৰ গুপ্তাৰ পৃষ্ঠপোষকতাত তথা সামগ্ৰিক পৰিকল্পনাত এগৰাকী মহিলা হৈ বহু ত্যাগ স্বীকাৰ কৰি একেলেথাৰিয়ে এক বছৰ বাইকেৰে বিশ্বৰ ৬৪ খন দেশ ভ্ৰমণ কৰি অভিলেখ গঢ়া সাহসী নাৰী, অসম গৌৰৱ মিনাক্ষী দাসক যোৱা ৯ মে', শিৱসাগৰ শিৱদৌলৰ সমীপত ৰাইজে আদৰণি জনোৱাৰ পাছতেই যুৱ সমাজকৰ্মী আটিশ কুমাৰ গুপ্তাৰ তত্বাৱধানত জিলাখনৰ দিচাংমুখ অঞ্চলত এক অনুষ্ঠানৰ জৰিয়তে বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। দিচাংমুখৰ সচেতন যুৱক মুস্তাখা খানে সহযোগ কৰা উক্ত সম্বৰ্ধনা অনুষ্ঠানত আটিশ কুমাৰ গুপ্তাই শিৱসাগৰত উপস্থিত হৈ সকলোকে কৃতাৰ্থ কৰাৰ বাবে সংগ্ৰামী মহিলা মিনাক্ষী দাসক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। লগতে অনুষ্ঠানত উপস্থিত ৰাইজে মিনাক্ষী দাসক উষ্ম আদৰণি জনায়।

# সাহিত্যৰ পথাৰত বি. বৰুৱাৰ শিক্ষাগুৰুসকল

■ বনশ্ৰী শৰ্মা
ছাত্ৰী, বি.বৰুৱা
মহাবিদ্যালয়,অসমীয়া বিভাগ

ভাষা আৰু জাতিক আগুৱাই নিয়াৰ উদ্দেশ্যে সাহিত্যৰ পথাৰত যুগে যুগে বিভিন্নজনে বিভিন্ন ধৰণৰ সৃষ্টি কৰি আহিছে। তাৰে মাজত উত্তৰ-পূৰ্বাঞ্চলৰ এখন আগশাৰীৰ শিক্ষানুষ্ঠান বি. বৰুৱা মহাবিদ্যালয়ত শিক্ষকতা কৰা বহুকেইগৰাকী পুৰোধা ব্যক্তিয়েও অসমীয়া সাহিত্যৰ পথাৰত উল্লেখনীয় অৱদান আগবঢ়াই গৈছে। আহকচোন সাহিত্যৰ পথাৰত বি. বৰুৱা মহাবিদ্যালয়ৰ পুৰোধা ব্যক্তিসকলৰ বিষয়ে জানো-

**হেম বৰুৱা**

মৰমৰ,
এয়া মম এডাল জ্বলাই লৈছো
আজি বহুদিনৰ মূৰত তোমালৈ চিঠি লিখো বুলি...

অসমৰ এগৰাকী প্ৰসিদ্ধ কবি, সাহিত্যিক, শিক্ষাবিদ আৰু ৰাজনীতিবিদ হেম বৰুৱাই ১৯৪৪ চনত লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ আহ্বান মৰ্মে বি. বৰুৱা মহাবিদ্যালয়ত অধ্যাপক হিচাপে যোগদান কৰে আৰু ১৯৪৫ চনত তেওঁ শিক্ষানুষ্ঠানখনৰ অধ্যক্ষৰ আসনো অলংকৃত কৰে।

হেম বৰুৱাই অসমীয়া আৰু ইংৰাজী ভাষাত কবিতা, ভ্ৰমণ কাহিনী, আলোচনা গ্ৰন্থ আদি ৰচনা কৰিছে। মৃত্যুৰ আগমুহূৰ্তলৈকে তেওঁ মুঠ ৩৫খন গ্ৰন্থ ৰচনা কৰিছিল। মমতাৰ চিঠি, আইতা, জাৰৰ দিনৰ সপোন আদি তেখেতৰ বিখ্যাত কাব্য। বালিছন্দা (১৯৫৯) আৰু মনময়ূৰী (১৯৬৫) তেওঁৰ কবিতা-সংকলন। ১৯৭১ চনত কিছুদিনৰ বাবে গুৱাহাটীৰ পৰা প্ৰকাশিত 'আসাম এক্সপ্ৰেছ' নামৰ ইংৰাজী দৈনিকখনৰ তেওঁ সম্পাদনাৰ কাম কৰিছিল। তেওঁ ১৯৭২ চনত ধুবুৰীত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ অধিৱেশনত সভাপতি আছিল। ইয়াৰোপৰি তেওঁ আধুনিক অসমীয়া কবিতাৰ ক্ষেত্ৰত এক বিশেষ ভূমিকা গ্ৰহণ কৰিছিল।

**নিৰ্মলপ্ৰভা বৰদলৈ**

তেওঁক মই যোৱাগৈ দেখিছিলো
বেলি লহিওৱাৰ পৰত
পথাৰৰ বাঁকিয়াইদি।

বি. বৰুৱা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপিকা নিৰ্মলপ্ৰভা বৰদলৈ এগৰাকী কবি আৰু গীতিকাৰ হোৱাৰ লগতে লোক-সংস্কৃতিৰ গৱেষকো আছিল। 'সুদীৰ্ঘ দিন আৰু ঋতু' শীৰ্ষক কাব্য-সংকলনৰ বাবে তেওঁ ১৯৮৩ চনত সাহিত্য অকাডেমি বঁটা লাভ কৰে। উল্লেখযোগ্য যে, এই গ্ৰন্থখন বঙালী, পঞ্জাৱী, হিন্দী আৰু ওড়িয়া ভাষাকে ধৰি বহুকেইটা ভাৰতীয় ভাষালৈ অনূদিত হৈছে। তেওঁৰ দ্বাৰা ৰচিত বিভিন্ন গীতত ঊষা মংগেশকাৰ, ড° ভূপেন হাজৰিকা, উদিত নাৰায়ণ, দীপালী বৰঠাকুৰ, জুবিন গাৰ্গ আদিকে ধৰি অনেক অসমীয়া-অনাঅসমীয়া বহু ন-পুৰণি শিল্পীয়ে কণ্ঠদান কৰিছিল। 'সোণৰ খাৰু নেলাগে মোক', 'কি নাম দি মাতিম', 'জোনবাই এ বেজী এটি দে', 'আগলি বতাহে কপালে কলৰে পাত' আদি তেওঁৰ কেইটামান চিৰসেউজীয়া জনপ্ৰিয় গীত। মননশীল আৰু তাত্ত্বিক দিশত চহকী তেওঁ লিখা শিৱ, দেৱী আৰু সূৰ্য নামৰ গ্ৰন্থকেইখনক ড° মুকুন্দমাধৱ শৰ্মাই 'গ্ৰন্থৰত্নত্ৰয়ী' আখ্যা দিছে। তেওঁ 'নীলা বাইদেউ' ছদ্মনামেৰে পৰিচিত হোৱাৰ লগতে ১৯৯১ চনত অসম সাহিত্য সভাৰ দুধনৈ অধিৱেশনত সভাপতিৰ পদত অধিষ্ঠিত হৈছিল। ১৯৯৮ চনত বেলতলা লেখিকা সমাৰোহ সমিতিয়ে তেওঁৰ জন্মদিৱসটো অৰ্থাৎ ২০ জুন তাৰিখটো 'প্ৰেৰণা দিৱস' হিচাপে উদ্‌যাপন কৰাৰ সিদ্ধান্ত লয়।

**বীৰেন্দ্ৰনাথ দত্ত**

বহুদিন বকুলৰ
গোন্ধ পোৱা নাই
বহুদিন বকুলৰ
মালা গঁথা নাই
বকুল তলত বহি
বহুদিন বালিঘৰ
সজা হোৱা নাই।

অসমীয়া সাহিত্যৰ এক চিনাকি নাম বীৰেন্দ্ৰনাথ দত্ত। তেওঁ একেধাৰে অসমৰ এগৰাকী লেখত ল'বলগীয়া শিক্ষাবিদ, লেখক, লোক-কলাৰ গৱেষক তথা সংগীত শিল্পী হোৱাৰ লগতে অসমৰ বহুকেইখন মহাবিদ্যালয়ত অধ্যাপক ৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। ১৯৫৭ চনত বি.বৰুৱা মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰবক্তা হিচাপে চাকৰি আৰম্ভ কৰি পিছলৈ এই বিভাগৰে মুৰব্বী অধ্যাপকৰ পদ লাভ কৰে। পৰৱৰ্তী সময়ত তেওঁ অসমৰ আৰু বহুকেইখন আগশাৰীৰ মহাবিদ্যালয়ৰ অধ্যাপক হোৱাৰ লগতে অধ্যক্ষৰ আসনো অলংকৃত কৰে।

অসমীয়া সাহিত্যলৈ তেওঁৰ অৱদান কোনেও নুই কৰিব নোৱাৰে। ১৯৭৭ চনত অসম সাহিত্য সভাই তেওঁৰ 'অসমীয়া সংগীতৰ ঐতিহ্য' নামৰ গ্ৰন্থখন প্ৰকাশ কৰে। তেওঁ সংস্কৃতি আৰু পৰিৱেশ্য কলাৰ সম্পৰ্কে বহুকেইখন গ্ৰন্থ অনুবাদ কৰাৰ লগতে লোক-সংস্কৃতি বিষয়ক, সাহিত্য-সংস্কৃতি বিষয়ক, অনুবাদমূলক গ্ৰন্থ, শিশু গ্ৰন্থ, বহুতো জনপ্ৰিয় গীত আদি ৰচনা কৰিছে। তদুপৰি তেওঁ বিশ্বকোষৰ প্ৰথম খণ্ডৰ আৰু পঞ্চম খণ্ডৰ লোক সাহিত্যৰ মুখ্য সম্পাদক, শিশু জ্ঞানকোষ পঞ্চম খণ্ডৰ সম্পাদক আছিল। Assam Academy Reviewৰ কেইবাটাও খণ্ডৰ সম্পাদনা, Gauhati University journal of Arts, আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি প্ৰতিষ্ঠানৰ গৱেষণা আলোচনী 'আনন্দম'ৰ তিনিটা সংখ্যাৰ সম্পাদনাৰ দায়িত্ব পালন কৰিছিল। তেওঁ প্ৰফুল্লদত্ত গোস্বামী ৰচনাৱলীখনো (২০১২) সম্পাদনা কৰিছিল। ২০০৯ চনত তেওঁক সাহিত্য আৰু শিক্ষাৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে ভাৰতৰ চতুৰ্থ শ্ৰেষ্ঠ অসামৰিক সন্মান পদ্মশ্ৰী বঁটা প্ৰদান কৰা হৈছিল আৰু ২০১০ চনত তেওঁক জগধাত্ৰী হৰমোহন দাস সাহিত্য বঁটা প্ৰদান কৰা হৈছিল। বীৰেন্দ্ৰনাথ দত্তই অসম সাহিত্য সভাৰ ২০০৩ চনৰ উত্তৰ লখিমপুৰ আৰু ২০০৪ চনৰ হোজাই অধিৱেশনৰ সভাপতিত্ব কৰিছিল।

উল্লেখযোগ্য যে গীতিকাৰ আৰু সুৰকাৰ ৰূপে অসমৰ সংগীত জগতত তেওঁ বিশেষ খ্যাতি লাভ কৰিছিল।

**যোগেশ দাস**

বি. বৰুৱা মহাবিদ্যালয়ত আজীৱন




অধ্যাপনা কৰি অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক হিচাপে অৱসৰ গ্ৰহণ কৰা অধ্যাপক যোগেশ দাসৰ অসমীয়া সাহিত্যলৈ অৱদান অপৰিসীম। তেওঁ এগৰাকী চুটিগল্প আৰু উপন্যাস লেখক তথা সাংবাদিকো আছিল।

যোগেশ দাসে পঞ্চাছৰ দশকত এজন লেখক হিচাপে আত্মপ্ৰকাশ কৰে। চুটিগল্প আৰু উপন্যাস তেখেতে সমান দক্ষতাৰে লিখি যায়। ১৯৫৩ চনত তেখেতৰ প্ৰথম উপন্যাস 'কলপটুৱাৰ মৃত্যু' প্ৰকাশ পায়। ১৯৫৫ চনত তেখেতৰ দ্বিতীয় উপন্যাস 'ডাৱৰ আৰু নায়ে' তেখেতক এজন শক্তিশালী ঔপন্যাসিক ৰূপে প্ৰতিষ্ঠা কৰে। এই গ্ৰন্থখন নেশ্যনেল বুক ট্ৰাষ্টৰ দ্বাৰা ভাৰতৰ প্ৰধান ভাষাসমূহলৈ অনূদিত হৈছে। তেখেতৰ আন এখন প্ৰখ্যাত গ্ৰন্থ আছিল চুটিগল্পৰ সংকলন 'পৃথিৱীৰ অসুখ'। তেখেতৰ "Folklore of Assam" গ্ৰন্থখনত অসমৰ লোক-সংস্কৃতিৰ সৰল অথচ বিশদ বিৱৰণ পোৱা যায়। তেখেতে প্ৰায় ডেৰ কুৰিৰো অধিক উপন্যাস ৰচনা কৰাৰ লগতে বহুতো জনপ্ৰিয় চুটিগল্প ৰচনা কৰি থৈ গৈছে। তেখেতে ১৯৮০ চনত চুটিগল্প সংকলন 'পৃথিৱীৰ অসুখ'ৰ বাবে সন্মানীয় সাহিত্য অকাডেমি বঁটা আৰু ১৯৯৪ চনত অসমীয়া সাহিত্যলৈ অৱদানৰ বাবে অসম উপত্যকা সাহিত্য বঁটা লাভ কৰে।

**সুৰেন্দ্ৰ মোহন দাস**

বি. বৰুৱা মহাবিদ্যালয় স্থাপনৰ আঁৰৰ এগৰাকী অন্যতম ব্যক্তি হ'ল সুৰেন্দ্ৰ মোহন দাস।তেওঁ বি. বৰুৱা মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক তথা তৃতীয় গৰাকী অধ্যক্ষ আছিল। যিদিনা তেওঁ প্ৰথমবাৰৰ বাবে বি. বৰুৱা মহাবিদ্যালয়ৰ শ্ৰেণীত পাঠদান কৰি ওলাই শ্ৰেণীকোঠাৰ পৰা ওলাই আহিছিল সিদিনা লোকপ্ৰিয় গোপীনাথ বৰদলৈয়ে কৈছিল, 'তেনেহ'লে দাস কলেজখন হ'লগৈ'। সুৰেন্দ্ৰ মোহন দাসক অসমীয়া অনুবাদ সাহিত্যৰ এগৰাকী বাটকটীয়া ৰূপে অভিহিত কৰিব পাৰি। বিশেষকৈ ৰুছ সাহিত্যৰ লগত থকা তেওঁৰ ঘনিষ্ঠ সম্পৰ্কই অসমীয়া অনুবাদ সাহিত্যকো প্ৰভূত বৰঙণি যোগাইছিল। অসমীয়া সাহিত্যলৈ তেওঁৰ অবিস্মৰণীয় অৱদান হৈছে বিশ্ববৰেণ্য লেখক মণিষী টলষ্টয়ৰ 'ৱাৰ এণ্ড পিচ' গ্ৰন্থৰ অসমীয়া ভাঙনি 'যুদ্ধ আৰু শান্তি'। এই গ্ৰন্থৰ বাবে তেওঁ ছোভিয়েট দেশ নেহেৰু পুৰষ্কাৰ লাভ আৰু ছোভিয়েট দেশ ভ্ৰমণৰ সুবিধা লাভ কৰে। মহাবিদ্যালয় পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত তেওঁৰ দ্বাৰা ৰচিত 'ৰেথৰিক আৰু প্ৰছেদি' নামৰ কিতাপখন বহুলভাৱে প্ৰচলিত।

**কিৰণ শৰ্মা**

বিশিষ্ট শিক্ষাবিদ, সংস্কৃত পণ্ডিত কিৰণ শৰ্মাই ১৯৬২ চনত বি. বৰুৱা মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ অধ্যাপক হিচাপে যোগদান কৰি পিছলৈ মুৰব্বী অধ্যাপক হয় আৰু ১৯৯৫ চনত উপাধ্যক্ষ হিচাপে অৱসৰ গ্ৰহণ কৰে। সংস্কৃত পণ্ডিত কিৰণ শৰ্মাদেৱে অসমীয়া ভাষা সাহিত্য আৰু শৈক্ষিক উত্তৰণৰ ক্ষেত্ৰত অনবদ্য অৱদান আগবঢ়াই থৈ গৈছে। তেওঁ ৮০০ পৃষ্ঠাজোৰা অসমীয়া-সংস্কৃত অভিধান প্ৰণয়ন কৰিছিল য'ত ১ লাখতকৈও অধিক শব্দ সম্বলিত হৈ আছে। তেওঁ বহুতো সংস্কৃত গ্ৰন্থ অসমীয়ালৈ অনুবাদ কৰিছিল। অখিল ভাৰতী বিদ্বৎ পৰিষদৰ দ্বাৰা সংস্কৃত পণ্ডিত কিৰণ শৰ্মাদেৱ 'বিদ্বৎ ভূষণ' সন্মানেৰে সম্মানিত হৈছিল।

**বিশ্বেশ্বৰ হাজৰিকা**

১৯৬৭ চনৰ জুলাই মাহত বি. বৰুৱা মহাবিদ্যালয়ত অধ্যাপক হিচাপে যোগদান কৰা বিশ্বেশ্বৰ হাজৰিকা এগৰাকী সাহিত্যিক, অধ্যাপক তথা ভাষাতত্ত্ববিদ। অসমীয়া সাহিত্য জগতলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে তেখেতক ২০১৪ চনত অসম সাহিত্য সভাই সাহিত্যাচাৰ্য উপাধি প্ৰদান কৰে। বিশ্বেশ্বৰ হাজৰিকাই অসমৰ প্ৰসিদ্ধ সাহিত্যিক-পণ্ডিত ড° বাণীকান্ত কাকতিৰ গৱেষণামূলক গ্ৰন্থ Assamese : Its Formation & Development-খন অসমীয়া ভাষালৈ অনুবাদ কৰিছিল। অনূদিত গ্ৰন্থখনৰ নাম হৈছে অসমীয়া ভাষা ঃ ইয়াৰ গঠন আৰু ক্ৰমবিকাশ। তেখেতে 'অসমীয়া-বড়ো-ৰাভা ত্ৰিভাষিক অভিধানখনো প্ৰণয়ন কৰিছিল। ইয়াৰ উপৰিও তেখেতে চৰ্যাগীত, শিলালিপি আৰু অসমৰ বুৰঞ্জী সম্পৰ্কেও গুৰুত্বপূৰ্ণ অধ্যয়ন কৰিছে। আটাইতকৈ ডাঙৰ কথা এয়ে যে বিশ্বেশ্বৰ হাজৰিকা এগৰাকী অধ্যাপক তথা ইমান নাম থকা ব্যক্তি হৈয়ো তেওঁ চান্দমাৰী পাহাৰৰ ওপৰত নিজৰা পাৰৰ ঘৰত থকা তেওঁৰ ঘৰত অতি সাধাৰণভাৱে জীৱন যাপন কৰাৰ লগতে তেওঁ অতি শান্ত প্ৰকৃতিৰো আছিল।

**প্ৰবীণা শইকীয়া**

বি. বৰুৱা মহাবিদ্যালয়ৰ অধ্যাপিকা প্ৰবীণা শইকীয়া একেধাৰে এগৰাকী কবি, গল্পকাৰ, ঔপন্যাসিক আৰু অনুবাদক আছিল। তেওঁ অসমীয়া সাহিত্যলৈ বহুতো অৱদান আগবঢ়াই থৈ গৈছে। ৰামধেনু (আলোচনী)ৰ পাতত আত্মপ্ৰকাশ কৰা লেখিকাগৰাকীয়ে পৰৱৰ্তী সময়ত মণিদীপ, অসমীয়া, প্ৰকাশ (আলোচনী) আদি আলোচনীৰ পাতত সাহিত্য চৰ্চা কৰে। তেখেতৰ উল্লেখযোগ্য সাহিত্য-কৰ্মসমূহ হ'ল -

উপন্যাস ঃ উত্তৰায়ণ (১৯৬৭), সিংহদুৱাৰ (১৯৮২)

গল্প-সংকলন ঃ চিত্ৰ তুৰগ (১৯৭৯), অবিনাশী স্বপ্ন (১৯৯০)

অনুবাদ কৰ্ম ঃ অজান দেশত এলিচ (১৯৬৩), দাপোন দেশত এলিচ (১৯৮৪), স্কাৰ্ক চিকাৰ (১৯৮২) ,অমূল্য ৰত্নৰ দ্বীপ, ক'লামণি।

**ড° প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য**

বি. বৰুৱা মহাবিদ্যালয়ৰ অধ্যাপক হিচাপে কৰ্মজীৱন আৰম্ভ কৰি ১৯৬২ চনত অধ্যক্ষৰ আসন অলংকৃত কৰা ড° প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য একেধাৰে গৱেষক, ভাষাবিদ, কবি, অভিধানপ্ৰণেতা আছিল। অসমত ভাষাতত্ত্ব-চৰ্চালৈ তেখেতৰ অৱদান উল্লেখযোগ্য। বড়ো ভাষাৰ প্ৰথমজন গৱেষক তথা ইণ্ডো তিব্বতীয় ভাষাৰো গৱেষক, সাহিত্যাচাৰ্য প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্যই বড়োৰ লগতে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনলৈ বিশিষ্ট অৱদান আগবঢ়াই থৈ গৈছে। তেওঁৰ দ্বাৰা ৰচিত গ্ৰন্থ সমূহ হ'ল- A Descriptive Analysis of the Boro Language, Aspect of North East Indian Languages (2003), অসমৰ জনজাতি, অসমীয়া আৰু সৰাফুল আৰু কুঁৱলীৰ আঁৰে আঁৰে (কবিতা সংকলন)। ভট্টাচাৰ্যদেৱে লাভ কৰা সন্মানসমূহ হ'ল - কামৰূপ ৰত্ন, প্ৰজ্ঞা ভূষণ, বড়োফা উপেন ব্ৰহ্ম বঁটা, কৃষ্ণকান্ত সন্দিকৈ সাহিত্য বঁটা, আনন্দৰাম বৰুৱা বঁটা, সৰ্বেশ্বৰ বৰদলৈ বঁটা,গুৰুদেৱ কালীচৰণ ব্ৰহ্ম বঁটা, সাহিত্যাচাৰ্য, ডি লিট।

**ড° ভগগিৰী ৰায়চৌধুৰী**

বি. বৰুৱা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ড° ভগগিৰী ৰায়চৌধুৰী আছিল একেধাৰে কবি, গীতিকাৰ আৰু প্ৰাৱন্ধিক। অসমকেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীৰ সু-পুত্ৰ ড° ভগগিৰী ৰায়চৌধুৰী 'অম্বিকাগিৰীৰ সংগ্ৰাম আৰু সাৰস্বত সাধনা' নামৰ গ্ৰন্থৰ প্ৰণেতা। উল্লেখযোগ্য যে ১৯৬৯ৰ পৰা পিতৃৰ দ্বাৰা প্ৰকাশিত আৰু সম্পাদিত 'ডেকা অসম' কাকত পুনৰ ভগগিৰী ৰায়চৌধুৰীয়ে প্ৰকাশ কৰিছিল।

**ড° অৰুণিমা ভৰালী**

বি. বৰুৱা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপিকা ড° অৰুণিমা ভৰালী অসমৰ এগৰাকী আগশাৰীৰ লেখিকা হোৱাৰ লগতে তেওঁ বি. বৰুৱা মহাবিদ্যালয়ৰ সংগীতটোৰো ৰচক।

এই সকলেই হ'ল অসমীয়া জাতিক সাহিত্যৰ পোহৰ দেখুওৱা বি. বৰুৱা মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা। যিয়ে জ্ঞান দানৰ দৰে পৱিত্ৰ কৰ্মত নিয়োজিত থকাৰ লগতে জীৱনটো সাহিত্যৰ নামত উৎসৰ্গা কৰিছিল। এই সকল মহান সাহিত্যিকক অসমৰ লগতে প্ৰতিগৰাকী বিবিয়ানে আজীৱন সুঁৱৰিব।

জনতাৰ চৰকাৰ | myGOV মেৰী সৰকাৰ

অসম চৰকাৰ
কৃষি বিভাগ



# সৰিয়হ

প্ৰতি কুইণ্টলত সমৰ্থন মূল্য

**৫,৯৫০ টকা**



**খেতিয়কৰ আয় বৃদ্ধিৰ এক অন্যতম যোজনা**

**তৃতীয়বাৰৰ বাবে**
কৃষি বিভাগৰ দ্বাৰা ন্যূনতম সমৰ্থন মূল্যত কৃষকৰ পৰা সৰিয়হ ক্ৰয়

**ক্ৰয়ৰ সময়সীমা**
২৫ ফেব্ৰুৱাৰী - ২৫ মে' ২০২৫

## সৰিয়হ ক্ৰয় কৰা সংস্থাসমূহ

- অসম ৰাজ্যিক কৃষি সামগ্ৰী বিপণন পৰিষদ
- অসম খাদ্য আৰু অসামৰিক যোগান নিগম লিমিটেড
- অসম ৰাজ্যিক পণ্যাগাৰ নিগম

## সৰিয়হ খেতিয়কসকলৰ কৰণীয়

- বিক্ৰীৰ বাবে খেতিয়কসকল e-samridhi প'ৰ্টেলত পঞ্জীয়নভুক্ত হোৱাটো বাধ্যতামূলক
- জিলা কৃষি বিষয়াৰ কাৰ্যালয়ৰ পৰা কৃষক প্ৰমাণ-পত্ৰ সংগ্ৰহ কৰিব লাগিব
- কৃষক প্ৰমাণ-পত্ৰৰ লগতে আধাৰ কাৰ্ড, বেংক পাছবুকৰ প্ৰতিলিপি আৰু ম'বাইল নম্বৰ সংশ্লিষ্ট কৰ্তৃত্বশীল বিষয়াৰ ওচৰত জমা দিব লাগিব

## সৰিয়হৰ সৰ্বোচ্চ অনুমোদিত সীমা

- মিহলি হৈ থকা বৰ্জ্য পদাৰ্থ — সৰ্বোচ্চ ২ শতাংশ
- টোৰিয়া সামৰি মিহলি হৈ থকা আন শস্য — সৰ্বোচ্চ ১০ শতাংশ
- মিহলি হৈ থকা অপৈণত, পতনুৱা আদি — সৰ্বোচ্চ ৪ শতাংশ
- মিহলি হৈ থকা পঁচা, পোকে খোৱা আদি — সৰ্বোচ্চ ২ শতাংশ
- মিহলি হৈ থকা সৰু তথা নিশকতীয়া শস্য — সৰ্বোচ্চ ১০ শতাংশ
- আৰ্দ্ৰতা — সৰ্বোচ্চ ৮ শতাংশ

**সবিশেষ জানিবৰ বাবে যোগাযোগ কৰক**
জিলা কৃষি বিষয়া/কৃষি উন্নয়ন বিষয়া
সহঃ বাণিজ্য বিষয়া, অসম ৰাজ্যিক কৃষি সামগ্ৰী বিপণন পৰিষদ (ম'বাইল ঃ ৮৬৩৮১-৪৮১৮৬)
সংশ্লিষ্ট সচিব, নিয়ন্ত্ৰিত বজাৰ সমিতি

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত | Connect with us @diprassam dipr.assam.gov.in

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

Janasanyog RO no 135/25/16-May-25

# ডিব্ৰুগড়ত সদৌ অসম আহোম সভাৰ ১৩৩ সংখ্যক প্ৰতিষ্ঠা দিৱস

## বিশিষ্ট তাই গৱেষক-সাহিত্যিক ড° পুষ্প গগৈলৈ প্ৰদান কৰে পদ্মনাথ গোহাঞি বৰুৱা সোঁৱৰণী বঁটা




**ষ্টাফ ৰিপ’ৰ্টাৰ, ডিব্ৰুগড় ঃ** ‘পদ্মনাথ গোহাঞিবৰুৱা এজন প্ৰকৃত অসমীয়া। এজন প্ৰকৃত জাতীয়তাবাদী ব্যক্তি আছিল ‘জয় আই অসম’ নোকোৱাকৈ তেওঁ অসমীয়া জাতিৰ বাবে যিখিনি কৰি গ’ল কোনেও কোনো কালে অমান্য কৰিব নোৱাৰে কিন্তু অসমীয়া ভাষা-সাহিত্যৰ বাবে অহোপুৰুষাৰ্থ অৱদান দি যোৱা সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঞিবৰুৱা আজিও সম্পূৰ্ণ উপেক্ষিত। ডিব্ৰুগড়ত সদৌ অসম আহোম সভাৰ কেন্দ্ৰীয় সমিতিৰ আহ্বানত ক্ৰমে ডিব্ৰুগড় জিলা আহোম সভাৰ উদ্যোগত, ডিব্ৰুগড় সদৰ আঞ্চলিক আহোম সভা আৰু ডিব্ৰুগড়বাসী ৰাইজৰ সহযোগত অনুষ্ঠিত আহোম সভাৰ ১৩৩ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে প্ৰদান কৰা পদ্মনাথ গোহাঞিবৰুৱা বঁটা গ্ৰহণ কৰি বিশিষ্ট তাই গৱেষক, লিখক সাহিত্যিক, ভাস্কৰ্য কলাবিদ ড° পুষ্প গগৈয়ে এনেদৰে মন্তব্য কৰে। বঁটা গ্ৰহণ কৰি ইতিমধ্যে অসমীয়া ভাষা সাহিত্যৰ কাণ্ডাৰী পদ্মনাথ গোহাঞিবৰুৱাৰ বিষয়ে বৃহৎ গৱেষণামূলক গ্ৰন্থ আৰু তথ্য চিত্ৰ ৰচনা কৰা বিশিষ্ট তাই গৱেষক গৰাকীয়ে লগতে কয় যে, ৰাজ্য চৰকাৰৰ ফালৰপৰা হওঁক বা জাতীয় অনুষ্ঠান অসম সাহিত্য সভাই হওঁক; পদ্মনাথ গোহাঞি বৰুৱাৰ প্ৰতি যেনেদৰে গুৰুত্ব দিব লাগিছিল দিয়া নাই। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই যেনেদৰে সাহিত্য সভা আৰু অসম চৰকাৰৰ পৰা যিমান গুৰুত্ব পালে, তেনেদৰে পদ্মনাথ গোহাঞি বৰুৱাই নাপালে। পদ্মনাথ গোহাঞি বৰুৱাই অসমীয়া জাতিৰ প্ৰতি অসমীয়া ভাষা-সংস্কৃতিৰ প্ৰতি যিখিনি দায়িত্ববোধ দেখুৱাই গ’ল সেইয়া আছিল অতুলনীয়। যাৰ তুলনা বেলেগৰ সৈতে নাই। অসমীয়া ভাষা-সাহিত্যৰ কাৰণে লক্ষ্মীনাথ বেজবৰুৱাৰতকৈ কোনো গুণে কম নাছিল গোহাঞি বৰুৱা। তেওঁ জাতিৰ কথা নভবা হ’লে, অসমীয়া সমাজ সংস্কৃতিৰ বাবে কাম নকৰা হ’লে, ব্যক্তিগতভাৱে আৰু বহু সমৃদ্ধিশালী ৰচনা উলিয়াবলৈ সক্ষম হ’লহেঁতেন। অসম সাহিত্য সভাৰ প্ৰথম গৰাকী সভাপতি গোহাঞি বৰুৱাক অসম সাহিত্য সভাইয়ো গুৰুত্ব নিদিয়া বুলি উদ্বেগ প্ৰকাশ কৰে তেওঁ। তেওঁ ২৩ বছৰ বয়সতে কলিকতাৰ পৰা আহি আহোম সভাৰ দৰে অনুষ্ঠান জন্ম দি বৃহৎ জনগোষ্ঠীটোক আগুৱাই নিয়াৰ প্ৰচেষ্টা কৰি গ’ল। আহোম সকলৰ বেছি ভাগ আজি ৰাজনৈতিক মেৰপেছত খণ্ড-বিখণ্ড হ’ল বুলি উদ্বেগ প্ৰকাশ কৰি আহোম সকলক বিভিন্ন সময়ত সকলো ফালৰ পৰাই উপেক্ষিত কৰা বুলি কয়, যাৰ বাবে আহোমে নিজৰ ঐতিহ্যময় কৃষ্টি-সংস্কৃতিক হেৰুওৱা উপক্ৰম হোৱা বুলি কয়। পদ্মনাথ গোহাঞি বৰুৱাই আহোম জনগোষ্ঠীৰ বাবে যি উদ্দেশ্যেৰে আহোম সভা গঠন কৰিছিল, বৃহত্তৰ আহোম জনগোষ্ঠীটোক সংগঠিত আৰু সংঘবদ্ধ কৰাৰ বাবে ১৩৩ বছৰীয়া আহোম সভাই পুনৰ সেই প্ৰচেষ্টাৰে আগুৱাই যোৱাৰ বাবে আহ্বান জনায়। সদৌ অসম আহোম সভাৰ সভাপতি শশাঙ্ক নেওগৰ সভাপতিত্ব অনুষ্ঠিত হোৱা মুকলি সভাৰ উদ্বোধন কৰে ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জন চাংমাইয়ে। উদযাপন সমিতিৰ যুটীয়া সম্পাদক দিগন্ত ফুকনে আঁত ধৰা মুকলি সভাত বিশিষ্ট লেখক তথা তাই আহোম ভাষা সাহিত্যৰ গৱেষক ড° পুষ্প গগৈক সদৌ অসম আহোম সভাৰ প্ৰতিষ্ঠাপক সভাপতি সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঞি বৰুৱা বঁটা হিচাপে অংগ বস্ত্ৰ, স্মাৰক, প্ৰশস্তি পত্ৰ, নগদ ধন আদি প্ৰদান কৰা হয়। মুকলি সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি তিনিচুকীয়া মহিলা মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অৱসৰপ্ৰাপ্ত মূৰব্বী অধ্যাপক উত্তম দুৱৰাই ছয়শ বছৰীয়া আহোম ৰাজত্ব কৰা ৰাজ্যত আহোমসকলে পৰৱৰ্তী সময়ত কেনেকৈ তেওঁলোকৰ নিজা ভাষা-সংস্কৃতিক হেৰুৱাব ধৰিলে এই সন্দৰ্ভত বিস্তৃত সাৰগৰ্ভ বক্তব্য প্ৰদান কৰে। সদৌ অসম আহোম সভাৰ সাধাৰণ সম্পাদক তপন কুমাৰ গগৈয়ে আদৰণি ভাষণ আগবঢ়োৱা মুকলি সভাত উদ্‌যাপন সমিতিৰ সভাপতি ৰঞ্জিত বৰুৱাই আদৰণি সমিতিৰ হৈ লিখিত ভাষণ পাঠ কৰে। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি ইন্দ্ৰ গগৈৰ সম্পাদনাত প্ৰকাশিত স্মৃতিগ্ৰন্থ ‘টি-ফাউ’ উন্মোচন কৰে ডিব্ৰুগড় কানৈ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জয়দেব গগৈয়ে। সভাত সন্মানীয় অতিথি হিচাপে মৰাণ সভাৰ সভাপতি ৰাজীৱ বৰা, মটক সন্মিলনীৰ সাধাৰণ সম্পাদক কিৰণ ৰাজখোৱা, চুতীয়া জাতি সন্মিলনীৰ সভাপতি বিবুল হাজৰিকা, টিংখং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ অশোক গগৈ, বিশিষ্ট সমাজ সেৱক অমৃত বুঢ়াগোহাঁই, অতুল বৰগোহাঁই, দুৰ্লভ চেতিয়া, ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি জ্যোতি বৰগোহাঁই, আহোম সভাৰ বিত্তীয় সম্পাদক দুৰ্লভ গগৈ, সাংগঠনিক সম্পাদক ৰাজীৱ বৰগোহাঁই, প্ৰচাৰ সম্পাদক হীৰালাল ফুকন, আহোম সভাৰ সাধাৰণ সম্পাদক তপন কুমাৰ গগৈ, সদৌ অসম আহোম সভাৰ প্ৰাক্তন সভাপতি মহেন বুঢ়াগোহাঁই, প্ৰাক্তন সভাপতি হেমকান্ত দিহিঙীয়া, বিভূতি বৰগোহাঁই, কৃষ্ণকান্ত চেতিয়াকে প্ৰমুখ্যে কৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। মুকলি সভাৰ পাছতে গন্ধেশ্বৰ চমুৱা, ৰুবী গগৈ সন্দিকৈ আৰু ভুৱন গগৈ পৰিচালনাৰে তাই ভাষৰ গীত-নৃত্য পৰিৱেশন কৰা লগতে বিভিন্ন সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। আনহাতে পুৱাৰ ভাগত প্ৰতিকূল বতৰৰ মাজতে ডিব্ৰুগড় জিলা আদালতৰ সন্মুখত থকা আহোম সভাৰ প্ৰতিষ্ঠাপক সভাপতি সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঞি বৰুৱাৰ প্ৰতিমূৰ্ত্তিত বন্তি প্ৰজ্বলন কৰে সদৌ অসম আহোম সভাৰ সম্পাদক তপন গগৈয়ে। আনহাতে প্ৰতিষ্ঠা দিৱস উপলক্ষে পুৱাৰ ভাগত চাফাই অভিযান কাৰ্যসূচী ৰখাৰ লগতে মৈদাম তৰ্পণ কৰে কেন্দ্ৰীয় কাৰ্যকৰী সভাপতি ধীৰেণ চেতিয়াই। ইয়াৰ পাছতে মুলুং সকলৰ দ্বাৰা ডামফি পুজা অনুষ্ঠিত হয়। আহোম সভাৰ পতাকা উত্তোলন কৰে সদৌ অসম আহোম সভাৰ সভাপতি শংশাংক নেওগ আৰু উদ্‌যাপন সমিতিৰ পতাকা উত্তোলন কৰে আদৰণি সমিতিৰ সভাপতি ৰঞ্জিত বৰুৱাই।

### গৱেষক-পণ্ডিত তিলক চন্দ্ৰ মজুমদাৰৰ স্মৃতিচাৰণ অনুষ্ঠান

## বৈষ্ণৱ সংস্কৃতিৰ জৰিয়তে নগাঁৱৰ মানুহৰ আত্মা দখল কৰিছিল ঃ গিৰীন্দ্ৰ কুমাৰ বৰুৱা

**বিশেষ সংবাদদাতা, নগাঁও ঃ** বিশিষ্ট বৈষ্ণৱ পণ্ডিত, গৱেষক, শিক্ষাবিদ সদ্য প্ৰয়াত তিলক চন্দ্ৰ মজুমদাৰৰ স্মৃতিচাৰণ অনুষ্ঠান অনুষ্ঠিত হয়। সাংস্কৃতিক অনুষ্ঠান অসম শিল্পী কাননৰ উদ্যোগত প্ৰয়াত মজুমদাৰৰ মৎস্যস্পৰ্শ অনুষ্ঠানৰ লগত সংগতি ৰাখি প্ৰয়াত মজুমদাৰৰ নগাওঁ চহৰৰ আমোলাপট্টীস্থ বাসগৃহত এই অনুষ্ঠান অনুষ্ঠিত হয়। প্ৰয়াত মজুমদাৰৰ পত্নী উপমা মজুমদাৰে বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত চমু ভাষণ প্ৰদান কৰি প্ৰাক্তন মন্ত্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই কয় যে তিলক চন্দ্ৰ মজুমদাৰে মৃত্যু পৰ্যন্ত। শংকৰী সংস্কৃতিৰ সাধনা কৰি গৈছিল। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ দৰ্শন আৰু আদৰ্শৰ পৰা অকণো বিচ্যুত হোৱা নাছিল। হাজোৰ ৰামদিয়াৰ পৰা আহি নগাঁও চহৰত বসবাস কৰা মজুমদাৰে বৈষ্ণৱ সংস্কৃতিৰ জৰিয়তে নগাঁৱৰ মানুহৰ আত্মা দখল কৰিবলৈ সক্ষম হৈছিল। তেওঁৰ চিন্তাত সদায়েই জাতীয়তাবাদী ভাৱধাৰা জাগ্ৰত আছিল বুলি উল্লেখ কৰি বৰুৱাই কয় যে তেওঁ সদায় জাতি মাটি ভেটিৰ হকে সংগ্ৰাম কৰিছিল। ৰামানুজন কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ দিলীপ বৰাই কয় মজুমদাৰে শংকৰদেৱৰ দৰ্শন আৰু আদৰ্শ সঠিকভাৱে নৱপ্ৰজন্মৰ মাজলৈ লৈ যোৱাৰ প্ৰয়াস কৰিছিল। তেওঁৰ মৃত্যুত এজন প্ৰকৃত অসমীয়া লোকক হেৰুওৱা যেন অনুভৱ হয়। অনুষ্ঠানত প্ৰাক্তন মন্ত্ৰী উমেশ দাসে কয় তিলক চন্দ্ৰ মজুমদাৰ বিভিন্ন কৰ্মৰে বিভূষিত। তেওঁ আঞ্চলিকতাবাদৰ এজন শক্তিশালী প্ৰবক্তা আছিল। প্ৰাক্তন বিধায়ক ডাঃ দুৰ্লভ চমুৱাই তিলক চন্দ্ৰ মজুমদাৰৰ সান্নিধ্য লাভ কৰাৰ কথা উল্লেখ কৰি কয় যে তেওঁ এজন নিষ্ঠাৱান জাতীয়তাবাদী মনৰ মানুহ আছিল। অসমখনক সকলো দিশৰপৰা আগুৱাই নিয়াৰ পোষকতা কৰিছিল। বিশেষকৈ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অংকীয়া ভাওনা প্ৰসাৰ আৰু প্ৰচাৰত গুৰুত্ব প্ৰদান কৰিছিল। মজুমদাৰৰ সৃষ্টিৰাজি নতুন প্ৰজন্মক পৰিচয় কৰি দিয়াত গুৰুত্ব আৰোপ কৰে ডাঃ চমুৱাই। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মজুমদাৰৰ পত্নী উপমা মজুমদাৰে কয় যে তেওঁ মানুহক খুব ভাল পাইছিল। শিল্পী কাননৰ কাৰ্যকৰ্তা দৰ্শন মহন্তই আঁতধৰা অনুষ্ঠানত সাংবাদিক কনক হাজৰিকা, অসম শিল্পী কাননৰ প্ৰধান সম্পাদক মৃদুপৱন বৰা, লেখিকা নমিতা হাজৰিকাই তিলক চন্দ্ৰ মজুমদাৰৰ সান্নিধ্য লাভ কৰাৰ বিষয়ে উল্লেখ কৰে। অসম শিল্পী কাননে প্ৰদান কৰি অহা জীৱন যোৰা সাধনা বঁটা এইবাৰ প্ৰয়াত তিলক চন্দ্ৰ মজুমদাৰক মৰণোত্তৰভাৱে প্ৰদান কৰা হ’ব বুলি শিল্পী কাননে অনুষ্ঠানতে ঘোষণা কৰে। অনুষ্ঠানত ৰামানুজন কনিষ্ঠ মহাবিদ্যালয়ে প্ৰকাশ কৰি উলিওৱা তিলক চন্দ্ৰ মজুমদাৰৰ ‘সান্নিধ্য আলোক আৰু আলাপন’ গ্ৰন্থখন অনুষ্ঠানত অংশগ্ৰহণ কৰা লোকসকলৰ মাজত বিতৰণ কৰা হয়। প্ৰয়াত মজুমদাৰৰ পুত্ৰ ঋত্বিক মজুমদাৰে সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰে। অনুষ্ঠানৰ আৰম্ভণিতে অসম শিল্পী কাননৰ সদস্যাসকলে এটি বৰগীত পৰিৱেশন কৰে। অনুষ্ঠানত ভালেসংখ্যক বিশিষ্ট ব্যক্তিৰ লগতে মজুমদাৰৰ পৰিয়ালবৰ্গ উপস্থিত আছিল।

### নগাঁৱত চহৰ এলেকাৰ একাংশ প্ৰাথমিক বিদ্যালয়ৰ কাণ্ড

## সংখ্যা বৃদ্ধি কৰাৰ স্বাৰ্থত নীতি বহিঃভূতভাৱে শিশু শ্ৰেণীত নাম ভৰ্তি

**বিশেষ সংবাদদাতা, নগাঁও ঃ** চলিত শিক্ষাবৰ্ষৰ আৰম্ভণি সময় চলি থকা অৱস্থাত নগাঁও জিলাৰ একাংশ প্ৰাথমিক বিদ্যালয়ে নীতি বহিঃভূতভাৱে শিশু শ্ৰেণীত নাম ভৰ্তি কৰাৰ অভিযোগ উত্থাপিত হৈছে। জিলাখনৰ আৰবান শিক্ষাখণ্ডৰ অন্তৰ্গত একাংশ প্ৰাথমিক বিদ্যালয়ৰ বিৰুদ্ধে এই অভিযোগ উত্থাপিত হৈছে। প্ৰাপ্ত তথ্য অনুসৰি, আৰবান প্ৰাথমিক শিক্ষাখণ্ড আৰু আৰবান সংহত শিশু উন্নয়ন প্ৰকল্পৰ অন্তৰ্গত ২২খন প্ৰাথমিক বিদ্যালয় চৌহদত অংগণবাদী কেন্দ্ৰ আছে। বিভাগীয় নীতি অনুসৰি, এই কেন্দ্ৰ সমূহত তিনিৰ পৰা ছয় বছৰ বয়সৰ শিশুসকলক সামৰি লোৱা হয়। আনহাতে এগৰাকী শিশুৰ বয়স ছয় বছৰ পূৰ্ণ হোৱাৰ পিছতহে প্ৰাথমিক বিদ্যালয়ত নামভৰ্তি কৰিব পাৰে। কিন্তু অংগণবাদী কেন্দ্ৰ সংলগ্ন ২২ খন প্ৰাথমিক বিদ্যালয়ৰ অধিকাংশ শিক্ষানুষ্ঠানে একমাত্ৰ ছাত্ৰ-ছাত্ৰীৰ বৃদ্ধি কৰাৰ স্বাৰ্থত বয়স ফাঁকিৰে শিশু শ্ৰেণীত নামভৰ্তি প্ৰক্ৰিয়া আৰম্ভ কৰাৰ অভিযোগ সৰ্বত্ৰ উত্থাপিত হৈছে। মনকৰিবলগীয়া বিষয় এই যে প্ৰাথমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়িলে মধ্যাহ্ন ভোজন আৰু চৰকাৰী অন্যান্য সা-সুবিধা আদায় কৰাত সুবিধা হয়। যাৰ বাবে বয়স ফাঁকিৰে শিক্ষা বিভাগৰ নীতি নিয়মক অংগুষ্ট প্ৰদৰ্শন কৰি ছয়বছৰ তলৰ বহু ল’ৰা-ছোৱালীক প্ৰাথমিক বিদ্যালয় সমূহত নামভৰ্তি প্ৰক্ৰিয়া আৰম্ভ কৰিছে বুলি একাংশ বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ বিৰুদ্ধে অভিযোগ উত্থাপিত হৈছে। আনকি, একাংশ প্ৰধান শিক্ষকে অভিভাৱকৰ ঘৰে ঘৰে গৈ ছাত্ৰ গোটোৱাত ব্যস্ত হৈ পৰাৰ গুৰুতৰ অভিযোগো উঠিছে। ফলত শেহতীয়াকৈ শিশু শূন্য হৈ পৰাৰ দিশে গতি কৰিছে উক্ত এলেকাৰ অধিকাংশ অংগণবাদী কেন্দ্ৰ। এই ক্ষেত্ৰত সংশ্লিষ্ট কৰ্তৃপক্ষই নীৰৱ ভূমিকা গ্ৰহণ কৰাৰো অভিযোগ উঠিছে। যদিহে এই ক্ষেত্ৰত শিক্ষা বিভাগে ব্যৱস্থা গ্ৰহণ নকৰে, তেন্তে চহৰ এলেকাৰ এই অংগণবাদী কেন্দ্ৰসমূহ অস্তিত্বহীন হৈ পৰাৰ পূৰ্ণ সম্ভাৱনা আছে।

# পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণ

■ মাধুৰ্য ডেকা

২২ এপ্ৰিল ২০২৫। ভাৰতৰ ইতিহাসৰ বাবে এক ক'লা অধ্যায় হিচাপে চিহ্নিত হৈ ৰ'ল। জম্মু-কাশ্মীৰৰ পহলগামত সংঘটিত হোৱা পাকিস্তানী সন্ত্ৰাসবাদী আক্ৰমণত ভাৰতৰ ২৮ গৰাকী নিৰীহ পৰ্যটকৰ প্ৰাণহানি হোৱা ঘটনাই, ভাৰতবৰ্ষৰ লগতে সমগ্ৰ বিশ্বকে জোকাৰি গৈছে। এই গুলীবৰ্ষণত ২৬ গৰাকী হিন্দু পৰ্যটক আৰু এজন ইজৰাইলী আৰু আন এজন ইটালী নাগৰিকৰ মৃত্যু হৈছে। লগতে কেইবাগৰাকী লোক আহত হোৱা বুলি জানিব পৰা গৈছে। মুম্বাইৰ ভয়ঙ্কৰ সন্ত্ৰাসবাদী আক্ৰমণৰ দৰেই সংঘটিত হয় পহলগামৰ এই জঘন্য সন্ত্ৰাসবাদী আক্ৰমণ। এই ঘটনাই কেৱল জম্মু-কাশ্মীৰৰ নিৰাপত্তা ব্যৱস্থাৰ দুৰ্বলতাকেই প্ৰকাশ কৰা নাই, বৰঞ্চ ভাৰত চৰকাৰৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে কঠোৰ পদক্ষেপৰ প্ৰয়োজনীয়তাকো জোৰদাৰভাৱে উত্থাপন কৰিছে। পহলগামৰ বেছৰণ উপত্যকা, যাক মিনি ছুইজাৰলেণ্ড বুলিও জনা যায়, পৰ্যটক সকলৰ বাবে এক জনপ্ৰিয় গন্তব্যস্থল। ২২ এপ্ৰিল মঙ্গলবাৰে বিয়লি ২.৩০ বজাৰ পৰা ৩ বজাৰ ভিতৰত এই স্থানত নিৰীহ পৰ্যটকসকলৰ ওপৰত যেতিয়া সন্ত্ৰাসবাদী এটা দলে নিৰ্বিচাৰে গুলীচালনা কৰে, তেতিয়া পৰ্যটকসকলৰ ধৰ্মীয় পৰিচয় জানিবলৈ চেষ্টা কৰা বুলি জানিব পৰা গৈছে। তাতে এগৰাকী মহিলা পৰ্যটকক সন্ত্ৰাসবাদীয়ে জীৱিত অৱস্থাত এৰি দি কয়, 'যোৱা আৰু মোদীক কৈ দিবা'- যিটো ভাৰতৰ বাবে এক প্ৰকাৰৰ প্ৰত্যাহ্বানৰ বিষয় বুলি ক'ব লাগিব।

ইতিমধ্যে পহলগামৰ আক্ৰমণৰ তদন্ত দায়িত্বভাৰ এন আই এ (NIA) য়ে গ্ৰহণ কৰিছে আৰু এই আক্ৰমণ কাণ্ডৰে জড়িত থকা পাঁচ সন্ত্ৰাসবাদীৰ পৰিচয় নিশ্চিত কৰিছে, য'ত তিনি সন্ত্ৰাসবাদী পাকিস্তানী নাগৰিক আৰু দুজন কাশ্মীৰীৰ স্থানীয় লোক। পহলগামৰ আক্ৰমণৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চৌদি আৰৱৰ পৰা নিজৰ ভ্ৰমণ সংক্ষিপ্ত কৰি দিল্লীলৈ উভতি আহে। তেওঁ বিমান বন্দৰত বিদেশ মন্ত্ৰী এছ জয়শংকৰ, বিদেশ সচিব বিক্ৰম মিশ্ৰি আৰু ৰাষ্ট্ৰীয় উপদেষ্টা অজিত ডোভালৰ এক জৰুৰী বৈঠকত মিলিত হয়। ইয়াৰ পাছত মোদীৰ নেতৃত্বত কেবিনেট সমিটি অন চিকিউৰিটি বৈঠকৰ বিৰুদ্ধে কেইবাটাও কঠোৰ পদক্ষেপৰ সিদ্ধান্ত লোৱা হয়। লগতে দেখিব পোৱা মতে এই আক্ৰমণৰ পাছতে সামাজিক মাধ্যমত এক তীব্ৰ উত্তেজনাৰ সৃষ্টি হৈছে। বহুতে Pahalgam Terrorist Attack আৰু কেইবাটাও হেছ (#) টেগৰ জৰিয়তে ভাৰত চৰকাৰক সন্ত্ৰাসবাদৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ ল'বলৈ দাবী জনাইছে। ইয়াৰ উপৰিও ভাৰতৰ বিভিন্ন দলৰ ৰাজনৈতিক নেতাসকলেও এই আক্ৰমণৰ ওপৰত কঠোৰ ভাষাৰে গৰিহণা দি চৰকাৰৰ প্ৰতি সমমৰ্মিতা প্ৰকাশ কৰিছে। ইয়াৰ উপৰিও আমেৰিকা, ৰাছিয়া আৰু কেইবাখনো ৰাষ্ট্ৰই ভাৰতৰ প্ৰতি সমমৰ্মিতা প্ৰকাশ কৰি সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজত সমৰ্থনৰ আশ্বাস দিছে । এতিয়া প্ৰশ্ন উত্থাপিত হয় যে পহলগামৰ সন্ত্ৰাসবাদীৰ আক্ৰমণত ভাৰতৰ নিৰাপত্তা কিমান সবল সেইয়া পোহৰলৈ আনিছে। নৰেন্দ্ৰ মোদীৰ নেতৃত্বাধীন দ্বিতীয়খন চৰকাৰৰ কাৰ্যকালৰ আৰম্ভণিতেই জম্মু-কাশ্মীৰৰ বাবে থকা ৩৭০ ধাৰা বিলোপ কৰে । সন্ত্ৰাসবাদ দমনত এই কাৰ্য সহায়ক হ'ব বুলি সংসদত প্ৰধানমন্ত্ৰীয়ে ঘোষণা কৰিলে। কিন্তু ঘোষণা কৰা মতে একো নহ'ল। তাৰ বিপৰীতে কাশ্মীৰৰ সুৰক্ষা ব্যৱস্থালৈ শিথিলতাহে আহিল। পহলগামৰ দৰে পৰ্যটকৰে মুখৰিত হৈ থকা পৰ্বত-অৰণ্য অঞ্চলত সেনা বাহিনীৰ কোনো সুৰক্ষা ব্যৱস্থা নথকা কথাটো এই নৃশংস আক্ৰমণৰ ঘটনাইহে পোহৰলৈ আনিছে। সন্ত্ৰাসবাদৰ কামেই হ'ল চৰকাৰৰ দুৰ্বলতা আৰু পৰিস্থিতিৰ সুযোগ লৈ আক্ৰমণ কৰা। পহলগাম



আক্ৰমণ ভাৰতৰ বাবে এক সতৰ্কবাণী। এই ঘটনাই সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূণ্য সহনশীলতা নীতিৰ প্ৰয়োজনীয়তা পুনৰ সোঁৱৰাই দিছে। এইবাৰ কোনো ৰেহাই দিয়া নহ'ব। সন্ত্ৰাসবাদী বিৰুদ্ধে কঠোৰতকৈ কঠোৰতম শাস্তি দিয়াৰ সময় আহি পৰিছে। লগতে যিবোৰ ৰাষ্ট্ৰই নিজৰ স্বাৰ্থ পূৰণৰ বাবে সন্ত্ৰাসবাদক উদ্‌গনি দি আহিছে, সেইবোৰ দেশৰ বিৰুদ্ধেও বিশ্ব সম্প্ৰদায়ে কঠোৰ পদক্ষেপ গ্ৰহণ কৰে, সেয়াও ভাৰতে সুনিশ্চিত কৰা প্ৰয়োজন। যেনেদৰে ২০০১ চনৰ ১১ ছেপ্টেম্বৰত আল কায়দাই আমেৰিকা আক্ৰমণ কৰাৰ পিছত আমেৰিকাৰ সেনাই ওচামা বিন লাডেনক বিচাৰি হত্যা কৰিছিল। তেনেদৰে ভাৰতেও সকীয়নি দি নাথাকি উপযুক্ত শিক্ষা দিয়ক সন্ত্ৰাসবাদী ৰাষ্ট্ৰ পাকিস্তানক। যদিহে ভাৰতে সন্ত্ৰাসবাদক সম্পূৰ্ণৰূপে নিৰ্মূল আৰু সন্ত্ৰাসবাদীক উদ্‌গনি দি অহা ৰাষ্ট্ৰসমূহক নিৰ্ণায়কভাৱে প্ৰতিহত কৰিব নোৱাৰে, তেনেহ'লে সময়ে সময়ে দেশে এনে দুৰ্ভাগ্যজনক ঘটনাৰ মুখামুখি হৈয়ে থাকিব লাগিব। দেশৰ সাৰ্বভৌমত্ব আৰু নিৰাপত্তা ৰক্ষা কৰা এইয়ে সঠিক সময়।

**ম'বাইল ঃ ৬০০২৭-৯০৮৫৭**

# সম্ভাব্য বানপানী সন্দৰ্ভত ডিব্ৰুগড় জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সভা

## বানপানীৰ মোকাবিলা কৰিব পৰাকৈ সংশ্লিষ্ট বিভাগসমূহক সাজু হ'বলৈ নিৰ্দেশ



**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড় ঃ** বাৰিষাৰ সময়ছোৱাত জিলাখনৰ বিভিন্ন এলেকাত হ'ব পৰা বানপানী তথা এই ক্ষেত্ৰত সংশ্লিষ্ট বিভাগসমূহে কৰিবলগীয়া আগতীয়া প্ৰস্তুতি সন্দৰ্ভত আলোচনা কৰিবৰ বাবে এখনি গুৰুত্বপূৰ্ণ সভা ডিব্ৰুগড়ৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত ডিব্ৰুগড় জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ উদ্যোগত অনুষ্ঠিত হয়। অতিৰিক্ত জিলা আয়ুক্ত (ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা) ডাঃ মনিকা বৰাৰ উপস্থিতিত অনুষ্ঠিত এই সভাত জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তৰফৰ পৰা সম্ভাব্য বানপানীৰ বাবে চলাই থকা প্ৰস্তুতি সন্দৰ্ভত সচিত্ৰ উপস্থাপন কৰা হয়। অতিৰিক্ত জিলা আয়ুক্ত ডাঃ মনিকা বৰাই বানপানীৰ মোকাবিলা কৰিব পৰাকৈ সকলো বিভাগকে আগতীয়াকৈ সাজু হৈ থাকিবলৈ আহ্বান জনায়। সভাত জনস্বাস্থ্য কাৰীকৰি বিভাগক বানপীড়িতৰ আশ্ৰয়ৰ বাবে চিনাক্ত কৰা প্ৰতিটো শিবিৰ পৰিদৰ্শন কৰি বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা তথা শৌচাগাৰৰ সুবিধা সুনিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়া হয়। একেদৰে স্বাস্থ্য বিভাগকো আগতীয়াকৈ সাজু হৈ থাকিবলৈ আহ্বান জনায়। শিক্ষা বিভাগক জিলাখনৰ বানপীড়িত এলেকাত থকা বিদ্যালয়সমূহ পৰিদৰ্শন কৰি অসুৰক্ষিত বিদ্যালয়সমূহৰ বিষয়ে বুজলৈ সম্পূৰ্ণ তথ্য দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। অতিৰিক্ত জিলা আয়ুক্ত গৰাকীয়ে জলসম্পদ বিভাগৰ বিষয়াৰ সৈতে ডিব্ৰুগড় জিলাৰ মথাউৰিসমূহৰ অৱস্থাৰ বুজ লোৱাৰ লগতে তৎকালীনভাৱে মথাউৰিসমূহৰ মেৰামতিৰ বাবে যাৱতীয় ব্যৱস্থা ল'বলৈ আহ্বান জনায়। আনহাতে অতিৰিক্ত জিলা আয়ুক্ত গৰাকীয়ে কৃষি তথা পশুপালন বিভাগকো বানপানীৰ মোকাবিলা কৰিব পৰাকৈ আগতীয়াকৈ সাজু হ'বলৈ কয়। বানপানীৰ সময়ত আশ্ৰয় শিবিৰসমূহত বানপীড়িত সকলক প্ৰয়োজনীয় চিকিৎসা তথা খাদ্য-সামগ্ৰীৰ যোগান সুনিশ্চিত কৰাৰ লগতে ঘৰচীয়া জীৱ-জন্তুৰ বাবে প্ৰয়োজনীয় পশুখাদ্য যোগানৰ ওপৰতো অতিৰিক্ত জিলা আয়ুক্তগৰাকীয়ে গুৰুত্ব আৰোপ কৰে। বানপানীৰ সময়ছোৱাত উদ্ধাৰ কাৰ্যৰ ব্যৱস্থাৱলীসমূহৰ ওপৰতো সভাত আলোচনা কৰা হয়। ইতিমধ্যে উদ্ধাৰ কাৰ্যৰ বাবে জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তৰফৰ পৰা বিভিন্ন সময়ত সজাগতা সভা তথা ম'কড্ৰীল অনুষ্ঠিত কৰা হৈছে। ডাঃ মনিকা বৰাই বানপানীৰ সময়ছোৱাত উদ্ধাৰ কাৰ্যৰ বাবে এছ.ডি.আৰ.এফ তথা এন.ডি.আৰ.এফৰ লগতে গাঁওৰক্ষী বাহিনীকো সক্ষম হৈ থাকিবলৈ আহ্বান জনায়। ইয়াৰোপৰি সভাত জিলাখনত বিগত বৰ্ষত ধুমুহা আৰু অগ্নিকাণ্ডৰ ফলত হোৱা ক্ষয়ক্ষতি সন্দৰ্ভত আলোচনা কৰাৰ লগতে ধুমুহা তথা অগ্নিকাণ্ডত ক্ষতিগ্ৰস্ত হোৱা পৰিয়ালৰ বাবে চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ পৰা প্ৰেৰণ কৰা পুনৰসংস্থাপন অনুদানৰ প্ৰস্তাৱ আৰু সমাজ-কল্যান, শিক্ষা, বিদ্যুৎ তথা অন্যান্য বিভাগৰ পৰা প্ৰেৰণ কৰা ৰাজ্যিক দুৰ্যোগ সঁহাৰি পুঁজিৰ প্ৰস্তাৱসমূহৰ ওপৰত আলোচনা কৰাৰ লগতে অনুমোদন জনোৱা হয়। এই সভাত দুলীয়াজান সম জিলাৰ আয়ুক্ত অংকুৰ দাস (ভাঃপ্ৰঃসে), টিংখাং সম-জিলা আয়ুক্ত পৰীক্ষিত ফুকন প্ৰমুখ্যে জিলা প্ৰশাসনৰ অন্যান্য উচ্চ পদস্থ বিষয়াসকল, জিলাখনৰ আটাইকেইটা ৰাজহচক্ৰৰ চক্ৰ বিষয়াসকল, জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ জিলা প্ৰকল্প বিষয়া আৰু অন্যান্য সংশ্লিষ্ট বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকে।

# ডিব্ৰুগড়ত অন্ধবিশ্বাস বিৰোধী নেত্ৰী বীৰুবালা ৰাভাৰ প্ৰথম মৃত্যু বাৰ্ষিকী পালন



**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড় ঃ** অন্ধ বিশ্বাস বিৰোধী নেত্ৰী, সমাজ সেৱক, ডাইনী বিৰোধী সমূলঞ্চে নিশেষ কৰাৰ বাবে আজীৱন সংগ্ৰাম কৰা বীৰু বালা ৰাভাৰ প্ৰথম মৃত্যু বাৰ্ষিকী ডিব্ৰুগড়ত পালন কৰা হয়। এই উদ্দেশ্যে আলোক অভিযানৰ উদ্যোগত ডিব্ৰুগড়স্থিত বকুল উচ্চ মাধ্যমিক বিদ্যালয়ত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰা হয়। আনুষ্ঠানিক শিক্ষা ঢুকি নোপোৱা অথচ গোৱালপাৰা জিলাৰ মেঘালয় সীমান্তৱৰ্তী ঠাকুৰভিলা গাঁৱত জন্ম হৈয়ো সমগ্ৰ অসমৰ উচ্চ ডিগ্ৰীধাৰী লোকক অন্ধবিশ্বাসৰ বিৰুদ্ধে সংগঠিত কৰি সজাগতা কৰা এইগৰাকী বীৰুবালা ৰাভাক স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিনাকি কৰাই দিয়াৰ লগতে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত অন্ধবিশ্বাস-কুসংস্কাৰৰ বিৰুদ্ধে সজাগতা সৃষ্টি কৰাটো অতি জৰুৰী বুলি কয় বীৰু বালা ৰাভাৰ লগত সততে ছাঁটোৰ দৰে লাগি থকা একালৰ সতীৰ্থ অৰ্পনা বৰাই এইদৰে আদৰণি ভাষণ দিয়ে। তেওঁ আৰু কয় বীৰুবালা ৰাভা জীয়াই থাকোতে তেখেতক সভাপাতি সম্বৰ্ধনা জনোৱা, তেখেতৰ লগত ছেলফি লোৱা বহুত হ'ল। কিন্তু তেখেতৰ অনুপস্থিতিত তেখেতৰ চিন্তাখিনি আগবঢ়াই লৈ যোৱাটোহে আচল কাম। সেইবাবেই আলোক অভিযানৰ তৰফৰ পৰা এই উদ্যোগ গ্ৰহণ কৰা হৈছে। সভাত উপস্থিত থকা সুদক্ষিণা দাস, সমাজকৰ্মী নকুল খাউণ্ড, গোলাঘাটৰ আদিত্য শইকীয়া আৰু দিগন্ত দত্তৰ উপস্থিতিয়ে সভাখন সফল কৰি তোলে। বীৰুবালা ৰাভাৰ জীৱন আৰু কৰ্ম সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কিছু কথা কোৱাৰ পাছতে অৱসৰপ্ৰাপ্ত অধ্যাপিকা সুদক্ষিণা দাসে স্বাস্থ্য, অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক বুজাই দিয়ে। আদিত্য শইকীয়া আৰু নকুল খাউণ্ডে অন্ধবিশ্বাস সম্পৰ্কে বক্তব্য ৰাখে।

# আঘাত

**বাহাৰুল ইছলাম**
বালিজান, মৰিগাঁও

আন্ধাৰৰ আঁচল ফালি সূৰুযৰ আগমণ
আপোন পৰ নাই
সৱকে আকোঁৱালি লয়
তাপ, পোহৰ বিলায়
মৌণ ওঁঠযোৰ কিম্বা নিথৰ চকুযোৰে
বহু কথাই কৈ গ’ল
তথাপি মই নিথৰ, নিস্তব্ধ।

আন্ধাৰ-পোহৰৰ খেলৰ সন্ধিক্ষণত
নতুন সপোনে পোখা মেলিলে
সম্ৰাট হোৱাৰ স্বপ্ন
নতুন সাম্ৰাজ্যৰ
সৌ সিদিনা কলিতে মৰহি যোৱা ফুলপাহ
আজি সতেজ হৈ বিৰিঙিছে
নৱ বাৰ্তা কঢ়িয়াইছে সৱতে।
কলিজা দহনৰো বাৰ্তা থাকিব পাৰেনে?
ইন্ধনৰ হয়তো যন্ত্ৰণা কম
কিয়নো, অসহনীয় ধৈৰ্যৰ ফচল সি
পাৰি জানোঁ পাহৰিব
অগনিয়ে দাহ কৰাৰ মুহূৰ্ত?
জীয়াই থাকি মৰণক উপভোগ কৰা
সুধিছানে কদাপি?
অকণমান ভাবিবা পাৰিলে
অভয়ক তবধ মানিছোঁ
বিষাদৰ সমুদ্ৰত অনেক সাঁতুৰি পাইছোঁ
দেনা-পাওনাৰ তহবিল বহুত আছে
বিৰামহীন গতিত আগুৱাইছোঁ।
কচুপাতৰ পানীয়েই যদি হয় জীৱনৰ ম্যাদ
অতপালি কৰি অৰ্জিবা কি।
কলংকিত অধ্যায় ৰচি বিনষ্ট কৰিছা
সেই উখল-মাখল ক্ষণ
চূৰমাৰ কৰিছা ৰঙীণ মন।
গুজি ৰাখিছো ইতিহাসৰ পাতত
সোণালী আখৰেৰে
উদঙাই দিব খোঁজে কেতিয়াবা
হৃদয় উপত্যকাৰ কম্পনে
মোৰ প্ৰতিটো দিৱস, প্ৰতিটো নিশা
পাৰ হয় ভাবি ভাবি
ঘটাব পাৰে অনেক কিছু
শান্ত নহয় নাশ কৰিও
খুন্দিয়াই হৃদয়ক নিতৌ
আপোনক কৰে জটিল প্ৰশ্ন
মাটিৰ মানুহনে সেইবোৰ?

# চিৰ চিনাকি সেই মুখখন

**আয়শা ছিদ্দিকা (আছৰি)**
বাংলিপাৰা, বৰপেটা

পৰিশ্ৰমৰ চাপত  মুখত বয়সৰ ছাপ
বয়স সিমান এটা বেছি হোৱা নাই যদিও
বয়সীয়াল যেনেই  লাগে দেখিলে
উঠৰ কোণত জিলিকি উজলি থকা
সেই চিৰ চিনাকি মতি জিলিকা হাঁহি
কেৱল চাই থাকিবৰে মন যায় .....
অলপতে কোমল দেহ কোমল মনটো
পূৰঠ কৰি নিপুণ সংসাৰীজনী হৈ উঠি
সমস্ত দায়িত্ব কৰ্তব্য নিজৰ ভৰত তুলি
পাৰ্গত মানুহজনী হৈ জীয়াই যদিও
নিজৰ মনৰ সপোন নিজৰ আশাখিনি
কাৰো তাত ব্যক্ত নকৰে কাহানিও....
নৱ বধুৰ ৰূপ এৰি কিছুদিনৰ পিছতে
মতৃত্বৰ গুণ লাভ কৰি নিজক উৎসৰ্গা কৰে
সন্তানৰ নামত এই  মায়াময় সংসাৰত
নিজৰ ভোক পিয়াহ পাহৰি নতুন সত্তাৰ
যতনত মগন থাকে গোটেই দিন ৰাতি
যেন টোপনিও নাই তাইৰ চকু হালত....
এই জনীয়েই আমাৰ মৰমৰ মা, আম্মা
প্ৰাণৰ এটি মূল্যবান টুকুৰা যি অমূল্য
যি অতুলনীয় ব্যক্তিত্বৰ অধিকাৰী
মৰমৰ এটা পৱিত্ৰ বাগিছা
কেৱল মৰমৰ সুৱাস বিলাই থাকে
মৰমৰ এনাজৰীৰে বান্ধি ৰাখে আজীৱন....।

**ম’বাইল ঃ** ৯৩৬৫৬-৮১৯৬৮

# তুমি শিল্পী

**মেৰী বৰদলৈ**
নগাঁও, ফুলগুৰি

তুমি শিল্পী
যুগ যুগৰ বহু যুগৰ
যুগ যুগান্তৰৰ
তোমাৰ যাদুকৰী
সুৱাসত আছে
এসাগৰ সেউজ প্লাৱন
তুমি শিল্পী
তোমাৰ কলমেৰে জন্ম হয়
যুগে যুগে
নৱ নৱ প্ৰভাত
সৃষ্টিৰ হয়
এধাৰ শুকুলা ফুলৰ শুভ্ৰতা
তুমি শিল্পী
তোমাৰ বুকুত নিতৌ
আহ যাহ
এজাক শান্তিৰ সমদল
যেন খোজত
সৰগী অপ্সৰা
তুমি শিল্পী
তোমাতেই বিলীন হয়
মোৰ দিন প্ৰতিদিন
প্ৰতিদিনৰ দিনলিপি
গজি উঠে
দুচকুত শতসহস্ৰৰ
অলেখ কবিতা
তুমি শিল্পী...।

# অঘৰী কবিতা

**লক্ষী প্ৰসাদ ৰেগন**

অঘৰী কবিতাৰ যাত্ৰা।
নৈৰ পাৰত কবিতাৰ মেলা
আমাকো মাতিছে
আহিব উজনি নামনিৰ কবি
মোৰো কবিতাই মন মেলিছে
পূবত জালি কটা ৰ’দ
পশ্চিমত ডাৱৰৰ প্ৰতিবাদ।
এই বৰষুণ আহো আহো
যেনে তেনে মই শেষৰ আসনত আসন এখন পালো
মনত জোৰ দি বহিলো
কবিতা শুনিম
এই চহৰত মৃত মানুহবোৰে খোজ কাঢ়ে আৰু
জীৱিতবোৰে ৰ লাগি চায়
এটা সাংঘাতিক কবিতা
শুনি আছোঁ
শুনি থাকিলোঁ
ৰিবৰিব বতাহ।
শুকান সৰাপাতে কোবাইছে
দুপৰীয়াটোক
মুঠি টানকৈ ধৰা হাতত কবিতা এটাৰ
কেচেমা কেচেম গোন্ধ
এটা নিসংগ দুপৰীয়া
কবিতাবোৰে মেৰাই ধৰিছে।
কবিবোৰো কম নহয়
ময়ো বহি আছোঁ।
হাতত এটা অঘৰী কবিতা লৈ
সুযোগ পালেই পাঠ কৰিম

**ম’বাইল ঃ** ৮৪৮৬৭-৭৩২০২

# অপেক্ষাৰ শেষত

**স্মৃতি ৰেখা বৰা**
কলিয়াবৰ

তোমালৈ বাট চাই
হুমুনিয়াহ কঢ়াৰ পৰতে
এজাক মলয়া বতাহ হৈ
মোৰ মন আহ্লাদিত কৰি
তুমি উপস্থিত হ’লাহি।
আঘোণৰ সোণোৱালী
পথাৰে তুমি অহাৰ
বাতৰি দিয়াৰ পৰতে
মনত পেলাই যায় তোমাৰ
আৰু মোৰ আলিংগণৰ কথা।

# জীৱন

**ড° বনিমা তালুকদাৰ**
উত্তৰ গুৱাহাটী মহাবিদ্যালয়

জীৱনৰ লগত বাট বুলিছো অহৰহ...
কেতিয়াবা থমকি ৰৈ ভাবো জীৱনৰ বাট সঁচাই জানো মসৃণ?
এক একেবেকা বাটেৰে আগবাঢ়ে  জীৱনৰ গতি ৰেখা
তাৰ মাজতে থাকে কোনো দিন সুখৰ কিছু মুহূৰ্ত আৰু
কোনোদিন কাল অমাৱস্যা।
মুহূৰ্তবোৰ সাঁচি ৰখাৰ প্ৰয়াস কৰো হৃদয়ৰ গোপন কোণত...
কোনোবা এদিন অকলশৰীয়া মুহূৰ্তত
সকলোবোৰ উলিয়াই লৈ হিচাব লম সুখ দুখৰ....
তাৰপিছত.....
তাৰপিছত নিজকে হয়তো এবাৰ প্ৰশ্ন কৰিম
জীৱনৰ অংকবোৰৰ উত্তৰ মিলিল নে নাই?

**ম’বাইল ঃ** ৯৪৩৫১-৪৪৭৯৪



# দুৰ্ভিক্ষ

**আফতাদ বাঁহমূৰীয়া**

মোৰ মৃত্যুৰ পাছত দুহাত আপোনাৰ ফালে থাকিব
চকুযুৰিয়ে থাকিব আপোনাৰ ফালেই চাই
মোৰ মৃত্যুৰ পাছত তৃষ্ণাৰ্ত আত্মা আপোনাৰ ফালে যাব
বিচাৰিব এটোপাল পানী
ব্যৰ্থ হ’ব জলত থকা জীৱন
মোৰ মৃত্যুৰ সময়ত কান্দিব-
চালত বহি থকা চৰাই
দুৱাৰ মুখত শুই থকা শিশুৰ কংকাল
মোৰ মৃত্যুৰ পাছতেই-
সাধু হ’ব মহান দেশৰ পিতৃ
ভোক নালাগিব কাৰো

**ম’বাইল ঃ** ৬০০০৪-৯৪৯১৪

# ধুমুহা

**ফুকন কৈৱৰ্ত**
ৰামপুৰ, কামৰূপ

প্ৰচণ্ড ধুমুহাই প্ৰশ্ন কৰিলে মোক
ইমান অশান্ত ধুমুহা হৈ বলিছ কিয় তই
ধুৱাই নিব বিচাৰিছা নেকি শব্দ কোলাহলৰ,
শাম কটাব বিচাৰিছ নেকি ভূলুণ্ঠিত অৱয়বৰ।
প্ৰকৃতিৰ ৰেহ-ৰূপ জানো ইমান কৰ্কশ
বৃষ্টিপাতত নিগৰিব নেকি চকুপানী নিৰলস,
বিজুলী-ঢেৰেকনি হৈ গুজৰিব খুজিলেই জানো
চণ্ডালিত হ’ব জীৱনৰ গতি অবাটৰ।
পৃথিৱী সেউজীয়া বৰণেৰে ঢাকিব নোৱাৰাতো কি
তোমাৰ প্ৰতি অন্যায়-অত্যাচাৰৰ বৃহৎ নমুনা,
আউসীৰ জোন হৈ ফাঁট মেলা বসুমতীৰ চৰণত
কিয় তোমাৰ আজি অহেতুক অৱহেলা,
ধুমুহা, তোৰ দুৰ্বাৰ গতিৰে কিয় তচনচ কৰিব বিচাৰিছ
দুখীয়াৰ ভগা পজা কিম্বা সপোনৰ জুহাল,
নিমাখিত প্ৰাণীবোৰৰ জীৱন প্ৰণালীত কিয়
বাধাৰ প্ৰাচীৰ হৈ তুলিছা শব্দৰ ঝংকাৰ।
দুখীয়াৰ দুখ আৰু সুখীয়াৰ সুখৰ মাজত তাৰতম্য কিমান
শ, হাজাৰ, লাখ, নে কোটিৰ ঘৰত।
বহুতৰ টিনপাত উৰি গ’ল,বহুতৰ জেওৰা-জপনা ভাগি গ’ল
শস্যবোৰ, গছবোৰ আৰু আৰ্তজনৰ হুমুনিয়াবোৰৰ চকুলো নিগৰিত হ’ল
কিয় বাৰে বাৰে বা-মাৰলিৰ প্ৰত্যাহ্বান সহিব লগা হ’ল......
এনে বহু প্ৰশ্নৰ প্ৰত্যুত্তৰ বিচাৰি বাজি আছে হৃদয়ত
প্ৰচণ্ড ধুমুহাই প্ৰশ্ন কৰিলে মোক।

**ম’বাইল ঃ** ৯৬১৩৪-৯১৪৮৯

# সমগ্ৰ দেশজুৰি চলিছে যুদ্ধাভ্যাস

**বলিন বৰদলৈ**
আলামি, গোলাঘাট

আজি সমগ্ৰ দেশজুৰি
পাকিস্তানৰ  বিৰুদ্ধে
চলিছে যুদ্ধাভ্যাস।
বাজিছে ৰণডংকা
প্ৰতিশোধৰ বহ্নিত জ্বলিছে
মোৰ দেশ ভাৰতবৰ্ষ
ভয়ত  কম্পমান পাকিস্তান
চিন্তিত আজিৰ বিশ্ব,
উৎখাত কৰিছে সন্ত্ৰাসবাদীৰ ঘাটী
অপাৰেশ্যন সিন্দুৰে ক্ৰমশঃ।
ভাৰতীয় নাৰীৰ সেন্দুৰৰ হিচাপ ল’লে
চুফীয়া কুৰেশ্বৰী আৰু ব্যোমিকা সিংঙে।
ক্ষমা, দয়া আৰু আপোচ মীমাংসা
নাই সন্ত্ৰাসবাদীৰ লগত
জিঘাংসু হৈ পৰিছে বীৰ জোৱানসকল।
দেশৰ অস্তিত্ব ৰক্ষা কৰিব লাগিব
যুদ্ধ কৰিব লাগিব
যুদ্ধ কৰি মাৰিবও লাগিব
মৰিবও লাগিব
নহ’লে যুদ্ধ নহয় শান্তি
ভাৰত আৰু পাকিস্তানৰ মাজত
এতিয়াও বিৰাজমান চেপা উত্তেজনা।
সঠিক লক্ষ্য বিচাৰি নিঃশব্দ যাত্ৰা।

**ম’বাইল ঃ** ৯৪০১৮-৭৬৭২৮

# ৰঙা হৈ জিলিকা.....

**বিতোপন গগৈ,** শিমলুগুৰি

বান্ধ ভাঙি বৈ অহা
ৰঙা নৈৰ যৌৱনৰ ঢলত
ইপাৰে-সিপাৰে মাছ-কাছ বিচাৰি ....
চেঁচালৈকে বিয়পে ভৰ বাৰিষাৰ গান
কোনে কেতিয়া পেলায় লাঙিজাল

প্ৰাৰ্থনা শুভেচ্ছাৰে দুটি পাৰৰ যুদ্ধত
ঠাট্টা-মস্কৰাৰ সহজ লীলা
নৌকা চলোৱা দুটি আঙুলিত ব্ৰহ্মাস্ত্ৰ
বিপ্লৱৰ তেজস্বী ধ্বনিত নদী শুকায়
বংশলতাৰ সন্ধানত
চাৰিডাল সূঁতাৰ গাঠিত
এদিন আকৌ যুদ্ধ হ’ব
মহাত্মা নাহে এই বজাৰলৈ,
ৰঙা হৈ জিলিকা কাৰ কপালত
প্ৰেমৰ বোঁৱতী গংগা?
সহযাত্ৰী অচিনাকি সৈনিক
কাউৰীৰ বাহত
কুলিৰ কোমল মাত
‘পৰনাৰীং পৰদ্ৰব্য পৰিবাদং পৰস্য।
পৰিহাসং গুৰোঃ স্থানে চাপলং
বিৰ্বজয়েৎ
কাৰ অভিশাপত পাহাৰ খহিছে
কাৰ মথাউৰিত কোনে শিল বান্ধিছে?

কৃত্ৰিম হাঁহিৰ বাৰুদ ধূসৰিত তেজ
উলংঘা নীতিৰ উলংগ পৃষ্ঠাৰ উপন্যাস
প্ৰতিশ্ৰুতিৰ দুচকুত বিষন্ন ভকতৰ উল্লাস
নিৰপেক্ষতাও অন্য এক পক্ষ
পাৰমাণৱিক দৈন্য চিন্তাৰ
ৰঙা মাৰ্বল গুটি
ৰঙা হাঁচতিত...দেউতালৈ
এখন নৈৰ চিঠি
লিখিব পৰা নাই পৰিনামৰ ঠিকনাত

বুজাব পৰা নাই
হৃদয়ত কেনেকৈ বয়
ফাগুনৰ ধূৰ্ত বতাহ
এজাক মানুহৰ আৰ্তনাদ হৈ
ৰঙা শিমলুৰ গোপন সন্ধিত...।

**ম’বাইল ঃ** ৯৩৬৫১-৬৮৮০৬

*প্ৰথম পৃষ্ঠাৰ পৰা*

## থলুৱা লোকক উদ্যোগ স্থাপনৰ বাবে আগবাঢ়ি আহিবলৈ

মেৰিয়ট গ্ৰুপ আৰু জোনালী কনষ্ট্ৰাকচন প্ৰাইভেট লিমিটেডক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয় যে আমাৰ ৰাজ্যখনলৈ যোৱা চাৰি বছৰে দ্ৰুতগতিত শান্তিৰ পৰিৱেশ উভতি আহিছে। যেতিয়া এখন ৰাজ্যত শান্তি হয়, নিশ্চিতভাৱে সেই ৰাজ্যখনত বিকাশ হয়। যোৱা বছৰকেইটাত ৰাজ্যৰ চাৰিওফালে হোৱা সৰ্বাংগীন বিকাশ আমি লক্ষ্য কৰিছোঁ বুলি উল্লেখ কৰি তেওঁ কয় যে শান্তি আৰু বিকাশৰ পিছত স্বাভাৱিকতে সেই ৰাজ্যখনত এটা উদ্যোগিকীকৰণৰ পৰিৱেশ আৰম্ভ হয়। তেওঁ লগতে কয় যে উদ্যোগিকীকৰণে জনজীৱনলৈ এটা আৰ্থিক স্বচ্ছলতা অনাৰ লগতে নিবনুৱা যুৱক-যুৱতীৰ মাজত আশাৰ সঞ্চাৰ কৰে। যোৱা চাৰিটা বছৰে আমাৰ ৰাজ্যখনত বোমা বিস্ফোৰণ, গুলী কাণ্ড, হত্যা, অপহৰণ আদিৰ দৰে ঘটনাসমূহ প্ৰায় নোহোৱা হ’ল বুলি তেওঁ কয়। ৰাজ্যৰ চাৰিওফালে প্ৰগতিৰ দূৰন্ত গতি সকলোৱে প্ৰত্যক্ষ কৰিছে বুলি মন্তব্য কৰি তেওঁ কয় যে এই সমগ্ৰ ঘটনা প্ৰৱাহৰ সুযোগ লৈ ৰাজ্য চৰকাৰে অসমৰ উদ্যোগ খণ্ডটোক আগবঢ়াই লৈ যাবলৈ প্ৰয়াস কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে সেই প্ৰয়াসৰ লগত সংগতি ৰাখি ৰাজ্য চৰকাৰে এডভাণ্টেজ আছাম **২.০**ৰ অনুষ্ঠিত কৰিছিল আৰু এডভাণ্টেজ আছাম **২.০**ত জোনালী কনষ্ট্ৰাকচন প্ৰাইভেট লিমিটেডে গুৱাহাটী বিমান বন্দৰৰ নিচেই কাষত দুখন হোটেল নিৰ্মাণ কৰিবলৈ বুজাবুজি চুক্তি স্বাক্ষৰ কৰিছিল। বিভিন্ন পৰ্যায়সমূহ সম্পূৰ্ণ কৰাৰ পাছত আজি এই দুইখন হোটেলৰ আনুষ্ঠানিকভাৱে নিৰ্মাণৰ কাম আৰম্ভ হ’ল বুলি মন্তব্য কৰি তেওঁ কয় যে ৰাজ্যখনত পৰ্যটন ক্ষেত্ৰখনৰ বাবে ই এক আশাৰ বাতৰি। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যৰ আতিথ্য খণ্ডত বিশ্বমানৰ সুবিধা আগবঢ়াই নিৰ্মাণ হ’বলগীয়া গুৱাহাটী মেৰিয়ট ৰিজৰ্ট আৰু স্পাত মুঠ **১৯৬** খন কোঠা আৰু ফেয়াৰফিল্ড বাই মেৰিয়ট গুৱাহাটীত ২৮৮ টা কোঠা থকাৰ লগতে আণ্ডাৰগ্ৰাউণ্ড আৰু অপেন পাৰ্কিঙৰ সুবিধাৰ উপৰি ইয়াত বলৰূম স্পেচ আৰু মুকলি লন এলেকাসহ বৃহৎ সুব্যৱস্থা থাকিব। এই প্ৰকল্পটো **৩৬-৪৮** মাহৰ ভিতৰত সম্পূৰ্ণ কৰাৰ পৰিকল্পনা কৰা হৈছে। গুৱাহাটী বিমান বন্দৰৰ নিচেই কাষত থকা বাবে এই প্ৰকল্পই অসমৰ পৰ্যটন ক্ষেত্ৰখনলৈ নতুন গতি আনিব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে এটা সময় আছিল মানুহে বিবাহ অনুষ্ঠান প্ৰায়ে নিজৰ ঘৰত অথবা ৰাজহুৱা অনুষ্ঠানত পাতিছিল। লাহে লাহে নতুন ধাৰণা এটা আহিল ‘ডেষ্টিনেচন ওৱেডিং’। তেওঁ লগতে কয় যে প্ৰথমতে ডেষ্টিনেচন ওৱেডিং ভাৰতৰ আঢ্যৱন্ত ব্যক্তিসকলে বেংকক, মালয়েছিয়া আদি ঠাইত অনুষ্ঠিত কৰিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজ্যসমূহক আহ্বান জনাইছিল যে ভাৰততে ডেষ্টিনেচন ওৱেডিঙৰ বাবে উপযুক্ত ঠাই আছে আৰু তাক উপযুক্তভাৱে প্ৰয়োগ কৰিব পৰা যায়। প্ৰধানমন্ত্ৰী মোদীয়ে ‘মন কী বাত’ অনুষ্ঠানত কেই বাবাৰো এই কথা উল্লেখ কৰিছিল। লাহে লাহে ৰাজস্থানকে ধৰি ভাৰতৰ অন্যান্য ৰাজ্যসমূহতো ডেষ্টিনেচন ওৱেডিং গঢ় লৈ উঠিছিল। যোৱা বছৰ গুৱাহাটীত মে ফেয়াৰ ৰিজৰ্টত হাৰিয়ানা, কৰ্ণাটক, উড়িশা আদি ৰাজ্যসমূহৰ পৰা মানুহে অসমলৈ আহি বিবাহ অনুষ্ঠিত কৰিছে বুলিও তেওঁ কয়। দৰা-কইনা অসমৰ নোহোৱা সত্ত্বেওতেওঁলোকে একমাত্ৰ বিবাহ অনুষ্ঠিত কৰিবৰ বাবে অসমলৈ আহে। মুখ্যমন্ত্ৰীয়ে কয় যে এডভাণ্টেজ আছামৰ সময়ত ৰিজৰ্ট’ৰ বুকিং বাতিল কৰি ৰাজ্য চৰকাৰে অতিথিসকলক ৰখাৰ বাবে ব্যৱস্থা কৰাৰ সময়ত দিল্লী, মুম্বাই আদি বিভিন্ন অঞ্চলৰ পৰা ফোনযোগে বুকিং বাতিল কৰিলে তেওঁলোকৰ বহুত অসুবিধা হ’ব বুলি জনাইছিল। মুখ্যমন্ত্ৰীয়ে কয়—‘তেতিয়া মই প্ৰথমবাৰৰ বাবে উপলব্ধি কৰিছিলোঁ অসম বা গুৱাহাটীত আমি কিমান কাম কৰি পৰ্যটন ক্ষেত্ৰখনক আগুৱাই লৈ যাব পাৰোঁ। এটা সময়ত কিৰণশ্ৰী আদিৰ দৰে হোটেলত গুৱাহাটীৰ বা অসমৰ আঢ্যৱন্ত লোকসকলে আহি বিবাহ পাতিছিল। এতিয়া আমাৰ লক্ষ্য অসমৰ পৰিয়ালৰ লগতে বাহিৰৰ লোকসকলকো আমি অসমলৈ আকৰ্ষণ কৰিব লাগিব। গুৱাহাটীৰ বিমান বন্দৰৰ নিচেই কাষতে নিৰ্মাণ হ’বলগীয়া প্ৰকল্পটো সফল হ’ব আৰু ভাল ব্যৱসায় কৰাৰ লগে লগে ৰাজ্যখনলৈ যথেষ্ট ৰাজহ আহিব।’ মুখ্যমন্ত্ৰীয়ে কয় যে অসমলৈ বিবাহ অনুষ্ঠান পাতিবলৈ অহা পৰিয়ালসমূহে বিবাহৰ লগতে স্বাভাৱিকতে কাজিৰঙা, মানস, কামাখ্যা আদি পৰ্যটনস্থলীসমূহো ভ্ৰমণ কৰিব। অসমলৈ যিমানেই অতিথি আহিব আৰু তেওঁলোকে যিমানেই খৰচ কৰিব অসমৰ জি ডি পিও বাঢ়িব। ৰাজ্যখনৰ পৰা বাহিৰলৈ গ’লে দেখা পোৱা যায় যে অসমৰ বাহিৰত হোটেলসমূহৰ ডেস্ক আৰু ছিকিউৰিটি আদিত অসমীয়া ল’ৰা-ছোৱালীসকলে কাম কৰি আছে। ছত্তিছগড়ৰ এখন হোটেলত থকা সময়ৰ কথা উল্লেখ কৰি তেওঁ কয়—‘অসমৰ **১৮** গৰাকীকৈ যুৱক-যুৱতীয়ে মোক সাক্ষাৎ কৰিছিল। তেওঁলোকে টাটাত প্ৰশিক্ষণ লৈ তাত মাহিলি **১৬** হাজাৰকৈ দৰমহাত কাম কৰি আছে। **১৬** হাজাৰ টকাত তেওঁলোকে নিজে খৰচ কৰি মাক-দেউতাকলৈ পঠাবলৈ নোৱাৰে। তেওঁলোকে যদি ইয়াত কাম কৰিলেহেঁতেন তেওঁলোকে নিজে খৰচ কৰি মাক-দেউতাকলৈয়ো পঠাব পাৰিলেহেঁতেন। সেই কাৰণে আমি অসমত নিয়োগ সৃষ্টি কৰিব লাগে।’ মুখ্যমন্ত্ৰীয়ে কয় যে উদ্যোগ হ’লে উদ্যোগপতিসকলৰ যিমান লাভ হয় নিবনুৱা যুৱক-যুৱতীসকল তাতকৈয়ো বেছি উপকৃত হয়। টকা থকা যিসকল ব্যক্তিয়ে অসমত উদ্যোগ স্থাপন কৰিব বিচাৰে তেওঁলোকক আমি যদি উদ্যোগ কৰিব নিদিও তেওঁলোকে অন্য ৰাজ্যত কৰিব। তেতিয়া অসমৰে ক্ষতি হ’ব। এই হোটেলৰ জৰিয়তে প্ৰায় ৫০০ পৰিয়াল প্ৰত্যক্ষ বা পৰোক্ষভাৱে উপকৃত হ’ব বুলিও তেওঁ মন্তব্য কৰে। এই ঠাইখিনি লাহে লাহে অধিক জীৱন্ত আৰু প্ৰাণৱন্ত হৈ উঠিব বুলি ভাষণ প্ৰসংগত তেওঁ উল্লেখ কৰে। এই প্ৰকল্পটো যদি আমি কৰিব নিদিও তেওঁ বাহিৰৰ ৰাজ্যত কৰিব। অসমৰ কিছুমান মানুহে আদানি-আম্বানিক অসমলৈ আহিব নালাগে বুলি কয়। তেওঁ কয় যে ইয়াৰ ফলত আদানি-আম্বানিৰ ক্ষতি নহয়।

## দৰং জিলাত ব্ৰহ্মপুত্ৰ আৰু ডিমিলা নৈৰ পাৰত নিৰ্মীয়মান

প্ৰদান কৰে। পাছত জলসম্পদ মন্ত্ৰীগৰাকীয়ে ছিপাঝাৰৰ ডিমিলা নৈৰ দুয়োকাষে নিৰ্মীয়মান মুঠ প্ৰায় ২০ কিল’মিটাৰ দৈৰ্ঘ্যৰ মথাউৰিৰ নিৰ্মাণকাৰ্য পৰিদৰ্শন কৰে। উল্লেখ্য যে সাৰেঙৰ পৰা দুইখঁটিমূখ পৰ্যন্ত ডিমিলা নৈৰ দুয়োপাৰে প্ৰায় ১৭.৭০ কোটি টকাৰে নিৰ্মীয়মান মথাউৰিটোৰ নিৰ্মাণ কাৰ্যত কিছু আঁসোৱাহ থকা বুলি স্থানীয় ৰাইজে মন্ত্ৰী হাজৰিকাক অভিযোগ প্ৰদান কৰে। জলসম্পদ মন্ত্ৰীগৰাকীয়ে নিজেও এই ক্ষেত্ৰত পৰিদৰ্শন কৰি সকলোৰে পৰা অৱগত হয় যে মথাউৰিটোৰ নিৰ্মাণকাৰ্যত নীতি অনুসৰি ৰোলাৰ চলাব লাগে যদিও ঠিকাদাৰগৰাকীয়ে এই ক্ষেত্ৰত ৰোলাৰ চলোৱাৰ কোনো ব্যৱস্থা হাতত লোৱা নাই। এনেদৰে আসোঁৱাহপূৰ্ণভাৱে মথাউৰি নিৰ্মাণ কৰি চৰকাৰী পুঁজিৰ সঠিক ব্যৱহাৰ নকৰা বাবে মন্ত্ৰীগৰাকীয়ে বিভাগীয় অভিযন্তাক জবাবদিহি কৰে। আনহাতে বানপানী নিয়ন্ত্ৰণৰ দৰে এক গুৰুত্বপূৰ্ণ আৰু স্পৰ্শকাতৰ বিষয়ৰ কামত গাফিলতি কৰাৰ বাবে বিভাগীয় অভিযন্তাগৰাকীৰ বিৰুদ্ধে নিলম্বনৰ ব্যৱস্থা ল’বলৈ মন্ত্ৰীগৰাকীয়ে উপস্থিত মুখ্য অভিযন্তাক নিৰ্দেশ দিয়ে। বিভাগীয় ঠিকাদাৰগৰাকীৰ বিৰুদ্ধেও আইনগতভাৱে কঠোৰ ব্যৱস্থা ল’বলৈ জলসম্পদ মন্ত্ৰীগৰাকীয়ে মুখ্য অভিযন্তাগৰাকীক নিৰ্দেশনা প্ৰদান কৰে। বানপানী নিয়ন্ত্ৰণৰ দৰে গুৰুত্বপূৰ্ণ কামত কোনোধৰণৰ আপোচ কৰা নহ’ব বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে স্থানীয় ৰাইজক আশ্বাস প্ৰদান কৰে যে কামটো পুনৰ ভালদৰে কৰাৰ ব্যৱস্থা কৰা হ’ব। আনহাতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত বৰ্তমানৰ ৰাজ্য চৰকাৰখনে সদায়ে ৰাইজৰ পক্ষত কাম কৰি আছে বুলি মন্তব্য কৰি মন্ত্ৰী হাজৰিকাই বিভাগীয় বিষয়া অভিযন্তাক সুচাৰুৰূপে কামসমূহ সম্পন্ন কৰিবলৈ আহ্বান জনায়।

## ডিব্ৰুগড়ত সেৱাৰ উদ্যোগত আন্তৰ্জাতিক নাৰ্ছ দিৱস উদ্‌যাপন

**এম হাছিম আলী, ডিব্ৰুগড় ঃ** আন্তৰ্জাতিক নাৰ্ছ দিৱস উপলক্ষ স্থানীয় নটৰাজ হোটেলত ডিব্ৰুগড়ৰ স্বেচ্ছাসেৱী অনুষ্ঠান ‘সেৱা’ৰ উদ্যোগত উদ্‌যাপন কৰা হয়। এই অনুষ্ঠানত বয়োজ্যেষ্ঠৰ পৰিচৰ্যা সেৱা প্ৰদানকাৰীৰ লগতে বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত উপস্থিত থাকি অসম চিকিৎসা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত নাৰ্ছিং প্ৰশিক্ষক অৰুণা বৰুৱাই নাৰ্ছিংসেৱাৰ গুৰুত্ব ব্যাখ্যা কৰাৰ লগতে নাৰ্ছৰ প্ৰতিষ্ঠাপক ফ্লৰেঞ্চ নাইটিংগেলে দেখুৱাই যোৱা আদৰ্শক শ্ৰদ্ধাৰে স্মৰণ কৰে। ‘সেৱা’ৰ সভানেত্ৰী নন্দিতা হাজৰিকাই সেৱাই ২০১২ চনৰ পৰাই আগবঢ়াই অহা সেৱাকৰ্মী কাৰ্যসূচীৰ সফলতাৰ শলাগ লয় আৰু লগতে মানসিক স্বাস্থ্যৰ উৎকৰ্ষৰ বাবে সেৱাই গ্ৰহণ কৰা পদক্ষেপসমূহৰ কথা উল্লেখ কৰে। নাৰ্ছিং সেৱাৰ লগত জড়িত কৰ্মীসকলৰ নিৰাপত্তা আৰু কৰ্মক্ষেত্ৰত এক সুস্থিৰ বাতাবৰণৰ বাবে ইয়াৰ লগত সম্পৰ্কিত সকলো লোককে আন্তৰিকতাৰে ৰোগীক সেৱা কৰিবলৈ আহ্বান জনায় আৰু মহিলা সবলীকৰণৰ বাবে সেৱাই গ্ৰহণ কৰা পদক্ষেপক সমাজৰ সকলো পক্ষৰে সহায় সহযোগিতাৰ কথা উল্লেখ কৰে। সভাত উপস্থিত কানৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা ড° ৰাজী কোঁৱৰে সেৱাৰ বয়োজ্যেষ্ঠৰ পৰিচৰ্যা সেৱা প্ৰদানকাৰীসকলে আগবঢ়োৱা উৎকৃষ্ট সেৱাক প্ৰশংসা কৰে।

## কামৰ ক্ষেত্ৰত কোনোধৰণৰ গাফিলতি সহ্য কৰা নহ’ব ঃ মন্ত্ৰী হাজৰিকা

সময়সীমা মানি চলিবলৈ নিৰ্দেশ দিয়ে। কামৰ ক্ষেত্ৰত কোনোধৰণৰ গাফিলতি সহ্য কৰা নহ’ব বুলি কৈ মন্ত্ৰীগৰাকীয়ে বানৰ সময়ছোৱাত ৰাইজে যাতে অসুবিধাৰ সন্মুখীন নহয় তাৰ বাবে বিভাগীয় বিষয়া-কৰ্মচাৰী, ঠিকাদাৰসহ সংশ্লিষ্ট সকলো ব্যক্তিকেই সকলো কাম দায়িত্বসহকাৰে সম্পাদন কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ বানপানী আৰু খহনীয়াৰ পৰা জীৱন আৰু সম্পত্তি সুৰক্ষিত কৰাৰ বাবে ৰাজ্য চৰকাৰৰ দায়বদ্ধতাক পুনৰবাৰ দোহাৰে। চলি থকা প্ৰতিৰোধমূলক কামৰ অগ্ৰগতি ব্যক্তিগতভাৱে নিৰীক্ষণ কৰিব বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে সকলো অংশীদাৰকে সমন্বয়ৰ যোগেদি বান নিয়ন্ত্ৰণ ব্যৱস্থাৰ ফলপ্ৰসূ আৰু সময়োপযোগী ৰূপায়ণ নিশ্চিত কৰিবলৈ আহ্বান জনায়। মন্ত্ৰী হাজৰিকাই পুনৰ কয় যে বিভাগটোৱে সক্ৰিয় পৰিকল্পনাৰে বানপানী আৰু গৰাখহনীয়াৰ পৰা জনসাধাৰণৰ সুৰক্ষা নিশ্চিত কৰিবলৈ তৎপৰ হৈ থাকিব লাগিব। বৈঠকত জলসম্পদ বিভাগৰ বিশেষ মুখ্য সচিব চৈয়দ্দিন আব্বাছী, FREMAAৰ মুখ্য কাৰ্যবাহী বিষয়া জীৱন বি, জলসম্পদ বিভাগৰ মুখ্য অভিযন্তা, জ্যেষ্ঠ বিষয়াসকল আৰু অন্যান্যসকলে অংশ লয়।

## ডিব্ৰুগড়ত ২৫৬৯তম বুদ্ধ জয়ন্তী উদ্‌যাপন

### ভাৰত-পাক যুদ্ধ আৰু ম্যানমাৰ, থাইলেণ্ডৰ ভূমিকম্পত নিহতৰ প্ৰতি শ্ৰদ্ধাঞ্জলি




**ষ্টাফ ৰিপ’ৰ্টাৰ, ডিব্ৰুগড় ঃ** সমগ্ৰ বিশ্বৰ বৌদ্ধ ধৰ্মাৱলম্বী লোকসকলৰ বাবে অতি পৱিত্ৰ এটা দিন। যিটো দিনত গৌতম বুদ্ধৰ জন্ম, পৰম জ্ঞান লাভ আৰু মৃত্যু বা মহাপৰিনিৰ্মাণৰ দিৱস হিচাপে সমগ্ৰ বিশ্বতে পালন কৰা হয়। অহিংসাই পৰম ধৰ্ম বাণীৰে শান্তিৰ বাণী বিলাই যোৱা ভগৱান বৌদ্ধিক স্মৰণ কৰি ডিব্ৰুগড়ৰ বিধায়ক তথা কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকনে সকলোকে বিশেষ দিনটোৰ শুভেচ্ছা জ্ঞাপন কৰে। ডিব্ৰুগড় গ্ৰাহাম বজাৰস্থিত বুদ্ধ বিহাৰ সমিতিৰ উদ্যোগত অনুষ্ঠিত হোৱা ২৫৬৯ তম বুদ্ধ জয়ন্তীৰ কাৰ্যসূচীত উপস্থিত থাকি বৌদ্ধ বিহাৰৰ আন্তঃগাৰ্থঁনিৰ উন্নয়নৰ বাবে তেওঁৰ পুঁজিৰ পৰা তিনি লাখ টকা অনুদান আগবঢ়ায়। পুৱাৰ ভাগত বৌদ্ধ মংগলাচৰণ আৰু বিশ্ব বৌদ্ধ পতাকা উত্তোলনেৰে আৰম্ভ হোৱা কাৰ্যসূচীত প্ৰায় শতাধিক লোকৰ উপস্থিতিৰে বুদ্ধ বিহাৰৰ অধ্যক্ষ সুমেধানন্দ মহাথেৰৰ জৰিয়তে বিশ্বশান্তিৰ কামনাৰে প্ৰাৰ্থনা কৰাৰ লগতে শেহতীয়াকৈ থাইলেণ্ডত সৃষ্টি হোৱা বৰভূইকঁপত প্ৰাণ হেৰুৱাসকলৰ শান্তি কামনাৰ লগতে পেহেলগাম ঘটনা আৰু ভাৰত পাকিস্তানৰ যুদ্ধৰ সময়ত দেশৰ বাবে নিজৰ জীৱন আহুতি দিয়া সকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱা হয়। বুদ্ধজয়ন্তী উপলক্ষে উত্তম কুমাৰ বৰুৱাই আঁত ধৰা মুকলি সভাত অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক তথা সাংবাদিক ৰাতুল বুঢ়াগোহাঁই, ডিব্ৰুগড় পৌৰনিগমৰ পাৰিষদ নিৰূপা দত্ত, বৌদ্ধ বিহাৰৰ সভাপতি দেৱানন্দ কোঁৱৰ, উপস্থিত থাকি ভগৱান গৌতম বুদ্ধৰ জীৱনাদৰ্শ, তথা বিশ্বৰ মানৱ জীৱনৰ বাবে আগবঢ়াই যোৱা অৱদান আৰু বৌদ্ধ জয়ন্তীৰ তাৎপৰ্য সন্দৰ্ভত উপস্থিতসকলৰ সন্মুখত বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত আন কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থকাৰ লগতে বৌদ্ধ ধৰ্মাৱলম্বী লোকসকলৰ উপৰিও অন্যান্য বহু লোক উপস্থিত থাকি পৱিত্ৰ দিনটোত ভগৱান বুদ্ধৰ পৰা আৰ্শীবাদ কামনা কৰে। আনহাতে বুদ্ধ জয়ন্তীৰ লগত সংগতি ৰাখি সাংস্কৃতিক কাৰ্যসূচী আছিল যদিও সাম্প্ৰতিক পৰিস্থিতি বাবে সকলো সাংস্কৃতিক কাৰ্যসূচী বাতিল কৰা হয়।

## সাম্প্ৰতিক

■ **হেৰম্ব নাথ**

বাবা, তোমাৰ মামা আহিছে। ভিতৰৰ পৰা ওলাই আহাচোন, মাত দিয়া এবাৰ।
দেউতা, মই ৰীল চাই আছোঁ। মামাই চকলেট আনিছে কিন্তু, থৈ দিয়াচোন ফ্ৰীজত।

**ম’বাইল ঃ** ৭০০২৭-৯৭৫৪০




Janasanyog RO no 133/25/16-May-25


# তৰমুজ খেতিৰে স্বাৱলম্বিতাৰ আৰ্হি দেখুৱাইছে কৃষি বিভাগৰ এগৰাকী কৰ্মচাৰীয়ে

## এচাম অসমীয়া যুৱককো কৃষি বিপ্লৱৰে জড়িত




**বিশেষ সংবাদদাতা, নগাঁও ঃ** সফলতাৰ বাটত অগ্ৰসৰ হ'বলৈ যে পৰিশ্ৰম আৰু একাগ্ৰতাৰ নিতান্তই প্ৰয়োজন সেয়া পুনৰবাৰ প্ৰমাণিত কৰিছে কৃষি বিভাগৰ এগৰাকী কৰ্মচাৰী তথা নগাঁৱৰ ভোটাইগাঁও নিৱাসী, সমাজকৰ্মী অশোক কুমাৰ বৰাই। 'মন কৰিলেই ছন, বাকৰি মাটিতে ধন'- অসমীয়া এই আপ্তবাক্যষাৰকে সৰোগত কৰি বৰাই গাঁওখনৰে গেৰেকী পথাৰৰ ধান খেতি উপযোগী মাটিতে যোৱা বছৰ তৰমুজ খেতি কৰি যথেষ্ঠ লাভৱান হৈছিল। তেওঁ জনোৱা মতে, ২০২৪ বৰ্ষত দুবিঘা মাটিত তৰমুজ খেতি কৰি ডেৰ লাখ টকা উপাৰ্জন কৰিবলৈ সক্ষম হোৱাত এইবাৰো প্ৰায় ৩ বিঘা মাটিত কৰিছে 'সৰস্বতী' প্ৰজাতিৰ তৰমুজ খেতি। এইবাৰ বৰ্তমানলৈকে তেওঁ ৫০ কুইণ্টলতকৈও অধিক পৰিমাণৰ তৰমুজ বিক্ৰী কৰিছে আৰু ৪০ কুইণ্টল মান বিক্ৰী কৰিব পৰা যাব বুলি জানিবলৈ দিছে। যি সময়ত নৱ প্ৰজন্মৰ এচাম অসমীয়া লোকে কৃষিকৰ্মলৈ পিঠি দি চৰম হা-হুমুনিয়াহেৰে দিন নিয়াইছে সেই সময়তে পথাৰৰ মাটি ক্ৰয় কৰি তিনি বছৰমান পূৰ্বে এখন মনোৰম কৃষিফাৰ্ম গঢ়ি তুলি এইগৰাকী লোকে এক অনন্য নিদৰ্শন দাঙি ধৰিছে। এইবেলি তৰমুজৰ উপৰি প্ৰায় এবিঘা মাটিত তেওঁ কৰিছে মাইক্ৰ প্ৰজাতিৰ জলকীয়া। ৰাসায়নিক সাৰৰ পৰিৱৰ্তে গোবৰ সাৰ ব্যৱহাৰ কৰি তৰমুজ, জলকীয়াৰ উপৰি কিছু পৰিমানে জিকা, ৰঙালাও, কোমোৰা, তিহু, অমিতাকে ধৰি বিভিন্ন পাচলিৰ খেতিও কৰিছে। স্থানীয় কিছু সংখ্যক যুৱকেও বিভিন্ন সময়ত বৰাৰ কৃষিকৰ্মত সহযোগ কৰি উৎফুল্লিত হোৱা পৰিলক্ষিত হয়। বৰাৰ কৃষি ফাৰ্মত আছে দুটাকৈ বৃহৎ আকাৰৰ পুখুৰী আৰু দুয়োটা পুখুৰীতে আছে বিভিন্ন প্ৰজাতিৰ মাছ। সময়ত সৌৰশক্তি চলিত মেচিনেৰে পুখুৰী আৰু কৃষিভূমিত পানী দিয়াৰ ব্যৱস্থাও কৰি লোৱা হৈছে। তেওঁ জনোৱা মতে, যোৱাবাৰ জহা আৰু বৰা ধানৰ খেতিও কৰিছিল আৰু এইবাৰো তৰমুজ খেতিৰ অন্তত ধান খেতিৰ বাবে প্ৰস্তুতি চলোৱা হৈছে। ইফালে, পোৱালিসহ ৩৫ টাৰো অধিক ছাগলী, একুৰিৰো অধিক হাঁহ, কুকুৰা, পাৰ পালনেৰে নিজকে যথাৰ্থতে এগৰাকী সফল কৃষক তথা পশু পালক হিচাপেও প্ৰমাণিত কৰি সমাজলৈ এক শুভ বাৰ্তা বহন কৰিছে। উল্লেখ্য যে তেওঁৰ এই কৃষিফাৰ্মখনত বিগত দুটা বছৰে ভাগৱত পাঠ অনুষ্ঠিত কৰি অহাত এক নান্দনিক পৰিৱেশে শ শ ভক্তপ্ৰাণ লোকক সন্মোহিত কৰিবলৈ সক্ষম হৈছে।

# শিৱসাগৰত মঞ্চস্থ ঐতিহাসিক নাট 'চাণক্যৰ শপত'



**অমৃত কুমাৰ শৰ্মা ঃ** শিৱসাগৰৰ অন্যতম সাংস্কৃতিক আৰু সামাজিক সংস্থাৰূপে পৰিচিত 'দৃশ্যপট শিৱসাগৰ'ৰ প্ৰথম বৰ্ষপূৰ্তি উপলক্ষে আৰু হিন্দু ধৰ্ম্মসভা নামঘৰৰ সৌজন্যত সমাজকৰ্মী প্ৰয়াত অচ্যুত ভট্টাচাৰ্যৰ সোঁৱৰণী নাট্য সন্ধিয়াত নাট্যকাৰ ড° মণি পাঠকৰ ৰচনাৰ 'চাণক্যৰ শপত' নাটকখন ৭ মে' বুধবাৰে আমোলাপট্টিস্থিত হিন্দু ধৰ্ম্মসভা নামঘৰৰ প্ৰেক্ষাগৃহৰ ৰংগমঞ্চত সফলতাৰে মঞ্চস্থ কৰা হয়। উল্লেখযোগ্য ভাৰতীয় বিভিন্ন ভাষাত আচাৰ্য্য চাণক্যৰ দৰে ব্যক্তিত্ব ওপৰত চৰ্চিত বহু কাহিনী কিছু বছৰ অধ্যয়ন কৰি এই নাটকখনৰ নাট্যকাৰ ড° মণি পাঠকে অসমীয়া ভাষাত সম্পূৰ্ণ কৰিছে বুলি জানিবলৈ দিছে। উক্ত নাটকখনৰ মুখ্য চৰিত্ৰ ৰূপায়ণত অভিনেতা প্ৰাৰ্থ প্ৰতিম শৰ্মাৰ সুন্দৰ অভিনয়ে দৰ্শকৰ মনত সাজ বহুৱাবলৈ সক্ষম হয়। বন্দনা শইকীয়াৰ অভিনয় আছিল উচ্চ প্ৰসংশনীয়। চন্দ্ৰগুপ্তৰ চৰিত্ৰত ত্ৰিনয়ন বৰঠাকুৰে নাটকখনক উন্নত পৰ্যায়লৈ লৈ যোৱা পৰিলক্ষিত হয়। পুৰুৰাজৰ চৰিত্ৰত ঋতুৰাজ চাংকাকতি, ধনানন্দৰ চৰিত্ৰত অনুৰাগ শৰ্মা আৰু আৰ্য্যধনৰ চৰিত্ৰত অঞ্জন কুমাৰ বৰুৱাৰ অভিনয় নিখুঁত বুলি বহু দৰ্শকে মত প্ৰকাশ কৰিছে। লগতে নাটকখনৰ সকলো অভিনেতা-অভিনেত্ৰীয়ে নিজৰ সৰ্বোচ্চ উজাৰি অভিনয় কৰি দৰ্শকৰ বিপুল সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। 'চাণক্যৰ শপত' নাটকখনৰ পৰিচালকদ্বয় আছিল ড° মণি পাঠক আৰু ৰূপম বেজবৰুৱা। সংগীতত আছিল ৰিতুপন দত্ত, আলোক সজ্জাত আছিল বিশ্বজ্যোতি বৰঠাকুৰ আৰু এই নাটকখনৰ ব্যৱস্থাপনাত আছিল অভিনৱ দেৱ কাশ্যপ। নাটকখনত অভিনয় কৰা আন অভিনয় শিল্পীসকল আছিল- শ্যামল ৰাজগুৰু, কৰুণা গগৈ, ত্ৰিবেণী কাকতি, দেৱজিৎ দত্ত, পৰাণ পৰাশৰ গগৈ, স্মৃতি শৰ্মা, ৰৌদ্ৰাগ্নি পি ভৰদ্বাজ, হৰ্ষিভ দত্ত, ইমান হুছেইন, নিবেদিতা মেধী, অংকুশ জ্যোতি দত্ত, দেৱযানী ৰাজখোৱা, অৰিন্দম শৰ্মা, ৰত্নমণি শৰ্মা, জ্ঞানদীপ দাস।

# নগাঁৱৰ ভোটাই পাঠৰি জিলা পৰিষদ বিজেপিৰ দখলত

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও জিলাৰ অন্যতম জিলা পৰিষদ সমষ্টি হ'ল ভোটাই পাঠৰি জিলা পৰিষদ সমষ্টি। এই জিলা পৰিষদ সমষ্টি বিগত ২৫ বছৰ ধৰি কংগ্ৰেছৰ দখলত আছিল। এইবাৰ অনুষ্ঠিত পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনাৰ অন্তত এই জিলা পৰিষদ সমষ্টিত বিজেপিৰ স্বপ্নালী চাংকাকতি বৰা নিৰ্বাচিত হৈছে। ফলত ২৫ বছৰৰ মূৰত বিজেপিয়ে কংগ্ৰেছৰ হাতৰ পৰা এই জিলা পৰিষদ সমষ্টি কাঢ়ি আনিবলৈ সক্ষম হয়। বিজেপি নেতৃত্বাধীন চৰকাৰৰ উন্নয়ন আৰু বিকাশ মুখী যাত্ৰাৰ বাবে এই জিলা পৰিষদৰ ভোটাৰে বিজেপিক সমৰ্থন জনাইছে বুলি ৰাইজৰ মাজত চৰ্চা হৈছে।







স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.com/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,
সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া
সম্পাদক ঃ প্ৰণতি বৰা